সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪৮ সংখ্যা,১৫ আঘোণ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 48 Date Of Publication - 1 December 2024 Rs.10.00/-

## আনুষ্ঠানিকভাবে ই-কক্ষ মুকলি কৰিলে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত স্মাৰ্ট শিক্ষাৰ ক্ষেত্ৰত আন এক খোজ আগবঢ়াইছে অসম চৰকাৰে। শিক্ষাৰ্থীসকলক ডিজিটেল মঞ্চৰ জৰিয়তে পাঠদান কৰোৱাৰ লক্ষ্যৰে আনুষ্ঠানিকভাবে মুকলি কৰা হ'ল ই-কক্ষ। সমগ্ৰ শিক্ষা অসমে প্ৰস্তুত কৰা এই ই-কক্ষ আনুষ্ঠানিকভাবে মুকলি কৰিলে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। উল্লেখ্য যে ই-কক্ষৰ জৰিয়তে ইংৰাজী, ভূগোল, ইতিহাস, সামাজিক বিজ্ঞান আদি পাঠ্যক্ৰমৰ পাঠ শিক্ষাৰ্থীয়ে ঘৰতে বহি আয়ত্ত



কৰিব পাৰিব। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে যে এতিয়াৰে পৰা ই-কক্ষৰ জৰিয়তে সম্পূৰ্ণ অসমীয়া ভাষাত শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ পাঠ্যক্ৰমৰ পাঠ আয়ত্ত কৰাত সুবিধা পাব। সেয়াই নহয়, শিক্ষক-শিক্ষয়িত্ৰীয়েও একোটা পাঠ্যক্ৰমৰ পাঠদান কিদৰে কৰাব লাগে, তাৰ তথ্যও ই-কক্ষত লাভ কৰিব। তদুপৰি বহু সময়ত বিদ্যালয়ত একেলগে দুজন বা তিনিজন শিক্ষক বিভিন্ন কাৰণত অনুপস্থিত থাকিলে পাঠদানত যি অসুবিধাৰ সৃষ্টি হয়, সেই অসুবিধাৰ পৰা ই-কক্ষই যথেষ্ট সহায় কৰিব। অৰ্থাৎ ডিজিটেল শ্ৰেণীকোঠাত শিক্ষাৰ্থীক ই-কক্ষত উপলব্ধ পাঠদান শ্ৰেণীকোঠাত দেখুৱাব পাৰিব। ফলত অনুপস্থিত থকা শিক্ষকৰ অভাৱো আঁতৰ হ'ব। শিক্ষামন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু শিক্ষাৰ্থীসকলক ই-কক্ষ ব্যৱহাৰ কৰিবৰ বাবে আহ্বান জনায়। মন কৰিবলগীয়া যে বিদ্যালয়সমূহত শিক্ষক-

( নপৃষ্ঠাত চাওক)

## ৰাইজে অভিযোগ দিব পৰাকৈ নতুন প'ৰ্টেল মুকলি মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চৰকাৰী কাৰ্যালয়ত এতিয়াৰে পৰা যদি সময়মতে কাম নহয়, তেন্তে ৰাজহুৱা সেৱা অধিকাৰ আয়োগত দিব পাৰিব অভিযোগ। এনে অভিযোগ প্ৰমাণিত হ'লে বিষয়া-কৰ্মচৰীয়ে ১০০ টকাৰ পৰা ১০ হাজাৰ টকাপৰ্যন্ত জৰিমনা ভৰিব লাগিব। আনকি মুখ্য সচিবপৰ্যন্ত বিহা হ'ব জৰিমনা। এই কথা স্পষ্ট কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত অসম ৰাজ্যিক ৰাজহুৱা সেৱাবিধি অধিকাৰ আয়োগৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই

( নপৃষ্ঠাত চাওক)

## আই আই টিত ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ উদ্বোধন




ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আই আই টি গুৱাহাটীত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিং আৰু অন্যান্য গণ্যমান্য ব্যক্তিসকলৰ সৈতে ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ (আই আই এছ এফ) উদ্বোধন কৰে। ৩ ডিচেম্বৰলৈ চলিব এই বিজ্ঞান মহোৎসৱ। এই বিজ্ঞান মহোৎসৱৰ উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে বিজ্ঞানৰ বৰ্ণমালাৰে বিকশিত ভাৰতৰ কাহিনী ৰচনা হ'ব বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ প্ৰথম ৫মাহতে বিজ্ঞানৰ অগ্ৰগতিক লৈ গ্ৰহণ কৰা হৈছিল ৬টা গুৰুত্বপূৰ্ণ সিদ্ধান্ত। যি সিদ্ধান্তৰাজিয়ে ভাৰতৰ বৈজ্ঞানিক অগ্ৰগতিৰ প্ৰতি দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। এই সিদ্ধান্তৰাজিৰ ভিতৰত আছিল এক লাখ কোটি টকাৰ ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচন স্থাপন, মহাকাশ ষ্টাৰ্টআপৰ বাবে এহাজাৰ কোটি টকাৰ ভেন্সাৰ ফাণ্ড, বতৰৰ পূৰ্বাভাসৰ বৰ্ধনৰ বাবে মিছন মৌচমৰ শুভাৰম্ভকৰণ। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হোৱাৰ পথত বৈজ্ঞানিক অগ্ৰগতি আৰু উদ্ভাৱনৰ প্ৰতি থকা দায়বদ্ধতাৰ কথাও গভীৰভাৱে উল্লেখ কৰে। বিজ্ঞান সংস্কৃতি গঢ়ি তোলাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ দ্বাৰা এক ভৱিষ্যৎ গঢ় দিব পৰা যাব, য'ত প্ৰযুক্তি আৰু গৱেষণাই স্বাস্থ্যসেৱাৰ পৰা আৰম্ভ কৰি

( নপৃষ্ঠাত চাওক)

## কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলৰ সৈতে গুৱাহাটীত বাৰ্তালাপ

ৰঙিলী বাৰ্ত্তাসেৱা- চাহ উদ্যোগৰ সৈতে জড়িত উৎপাদক সন্থা, শ্ৰমিক সন্থা আৰু ক্ৰেতা সন্থাসমূহে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী শ্ৰীপীয়ুষ গোৱেলৰ সৈতে গুৱাহাটীত এক বাৰ্তালাপত মিলিত হয়। অংশীদাৰসকলে উদ্যোগটোৱে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰাজি, প্ৰত্যাহ্বান আদি উপস্থাপন কৰিবলৈ সুযোগ



লাভ কৰে। এই অনুষ্ঠানে আগন্তুক

( নপৃষ্ঠাত চাওক)

# নৰ্থ-ইষ্ট পেৰা স্প’ৰ্টছ মীটৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

ৰঙিলী বাৰ্ত্তাসেৱা- সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম নৰ্থ-ইষ্ট পেৰা স্প’ৰ্টছ মীটৰ বৰ্ণিল সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে পেৰা অলিম্পিক কমিটী অৱ ইণ্ডিয়াৰ অধীনত অসম পেৰা অলিম্পিক এছ’চিয়েচনৰ সহযোগত তথা উদয়াচলৰ উদ্যোগত বিগত ২৭ নৱেম্বৰৰ পৰা গুৱাহাটী মহানগৰীৰ তিনিটা স্থানত অনুষ্ঠিত হয় স্প’ৰ্টছ মীটৰ কাৰ্যসূচী। মুঠ পাঁচটা শাখাত অনুষ্ঠিত হোৱা এই স্প’ৰ্টছ মীটত উত্তৰ-পূৰ্বাঞ্চলৰ ছয়খন ৰাজ্য ক্ৰমে ত্ৰিপুৰা, মণিপুৰ, ছিকিম, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু অসমৰ মুঠ ৫৭৫গৰাকী পেৰা এথলীটে অংশ লয়। সামৰণী অনুষ্ঠানটোত পেৰা অলিম্পিয়ানসকলৰ মানসিক দৃঢ়তাক প্ৰণাম জনাই মুখ্যমন্ত্ৰী ড°



হিমন্ত বিশ্ব শৰ্মাই পেৰা এথলীটসকলক প্ৰকৃত নায়ক বুলি উল্লেখ কৰে। তেওঁ কয়-আপোনালোকৰ উপস্থিতিয়ে মানসিক দৃঢ়তাক প্ৰতিপন্ন কৰে। পেৰা অলিম্পিক দলে যিমানসংখ্যক মেডেল ২০২৪ৰ পেৰিছ পেৰা অলিম্পিকত লাভ কৰিছে সিমান মেডেল অলিম্পিক দলেও পোৱা নাই। তেওঁ কয় যে ২০২০ চনত টকিঅ’ পেৰা অলিম্পিকত ভাৰতে ১৯টা মেডেল লাভ কৰিছিল যদিও ২০২৪ চনৰ পেৰিছ পেৰা অলিম্পিকত এই মেডেলৰ সংখ্যা ২৯টালৈ বৃদ্ধি পায়। ইয়াৰ ভিতৰত সাতজনে স্বৰ্ণপদক, ৯জনে ৰূপৰ পদক আৰু ১৩জনে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। দেশৰ গৌৰৱ আৰু শোভা পেৰিছত পেৰা অলিম্পিয়ানসকলে সুশোভিত কৰিছে। ভাৰতীয় পেৰা অলিম্পিকৰ আৰম্ভণিৰ যাত্ৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ভাৰতীয় পেৰা অলিম্পিকৰ যাত্ৰা আৰম্ভ হৈছিল পেৰা সাঁতোৰবিদ মুৰলীকান্ত পেটকাৰৰ জৰিয়তে। ইয়াৰ পিছত এই যাত্ৰাক বহুকেইগৰাকী পেৰা অলিম্পিয়ানে আগুৱাই নিছে। পেৰা এথলীটসকল অকল এথলীটেই নহয়, অযুতজন বিশেষভাৱে সক্ষম প্ৰতিভাৱান যুৱক-যুৱতীৰ বাবে এক আশা আৰু প্ৰত্যাশাৰ থলী। তেওঁলোকৰ সফলতাই ইয়াকে প্ৰমাণ কৰে যে শাৰীৰিক প্ৰতিবন্ধকতা যিমানেই নাথাকক কিয়, ইয়াৰ বিৰুদ্ধে সৃষ্ট ইচ্ছাশক্তি আৰু মানসিক দৃঢ়তাই সকলো সফল কৰিব পাৰে। দিব্যাংগ ব্যক্তিসকলৰ উন্নয়নৰ হকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা বিভিন্ন পদক্ষেপৰ কথাও তেওঁ উল্লেখ কৰে। অসমৰ ক্ৰীড়া নীতিৰ কথা উনুকিয়াই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে পূৰ্বতে অসমৰ ৰাজ্যিক ক্ৰীড়া নীতি অকল সাধাৰণ লোকৰ বাবেহে আছিল। কিন্তু এতিয়া এই ক্ৰীড়া নীতিত দিব্যাংগ খেলুৱৈকো অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ অধীনতে ২০২৩ বৰ্ষত আনোৱাৰ শিকদাৰক অসম চৰকাৰে সফলতাৰ বাবে ২০ লাখ টকাৰে সন্মানিত কৰাৰ লগতে চাজিদা বেগমক তিনি লাখ, আবাবিল আলীক ৫ লাখ আৰু সৌৰভ ঠাকুৰক ৫ লাখ টকাৰে সন্মানিত কৰে। শেহতীয়াকৈ গোৱাত বিজয়ী হোৱা পেৰা খেলুৱৈসকলকো শুভেচ্ছা জনাই মুখ্যমন্ত্ৰীয়ে পৰৱৰ্তী পেৰা অলিম্পিকত যাতে অসমৰ খেলুৱৈসকলে প্ৰতিনিধিত্ব কৰিব পাৰে তাৰ বাবে ভালদৰে চেষ্টা কৰিবলৈ সকলো খেলুৱৈক আহ্বান জনায়। পৰৱৰ্তী পেৰা অলিম্পিকলৈ অসমত এনেধৰণৰ পেৰা অলিম্পিক ইভেন্ট পুনৰ

(দহ পৃষ্ঠাত চাওক)

# ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল’লে হেমন্ত চোৰেনে




ৰঙিলী বাৰ্ত্তাসেৱা- চতুৰ্থবাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে হেমন্ত ছ’ৰেনে। ৰাঁচীৰ মোৰাবাদী খেলপথাৰত ৰাজ্যপাল সন্তোষ কুমাৰ গংগৱাৰে পাঠ কৰালে শপতবাক্য। ঝাৰখণ্ডৰ চতুৰ্দশ সংখ্যক মুখ্যমন্ত্ৰীৰূপে দায়িত্বভাৰ চমজি ল’লে হেমন্ত সোৰেণে। এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে ইণ্ডিয়া গোটৰ নেতা তথা কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, NCP সভাপতি শৰদ পাৱাৰ, পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাল, সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱ, উদ্ধৱ ঠাকৰে, জম্মু কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফটি, তামিলনাডু-কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী, বিহাৰৰ বিৰোধী নেতা তেজস্বী যাদৱ, পাপু যাদৱ, দিল্লীৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ’দিয়া আৰু আপৰ ৰাজ্য সভাৰ সাংসদ সঞ্জয় সিঙকে ধৰি বহু ৰাজনৈতিক নেতা। ৪৯ বৰ্ষীয় হেমন্ত চোৰেনে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ লগে লগে তেওঁ হৈ পৰে ঝাৰখণ্ডৰ ১৪ সংখ্যক মুখ্যমন্ত্ৰী। উল্লেখ্য যে, ৮১ খন আসনৰ ঝাৰখণ্ড বিধানসভাত ক্ষমতা দখলৰ বাবে প্ৰয়োজনীয় মেজিক নম্বৰ ৪২। সদ্য সমাপ্ত ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত এইবাৰ ঝাৰখণ্ড মুক্তি মৰ্চা নেতৃত্বাধীন ইণ্ডিয়া গোটে ৫৬ খন আসন দখল কৰিছে। জে এম এমৰ নেতা হেমন্ত চোৰেনে বৰহাইট আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি বিজেপিৰ প্ৰাৰ্থী গামিয়েল হেমব্ৰমক ৩৯, ৭৯১ টা ভোটত পৰাস্ত কৰিছে। নিৰ্বাচনত এন ডি এয়ে ২৪ খন আসন লাভ কৰিছে।

# ৩ডিচেম্বৰৰ পৰা ৫ডিচেম্বৰলৈ তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ




ৰঙিলী বাৰ্ত্তাসেৱা- গুণগত স্বাস্থ্যসেৱা প্ৰদানৰ প্ৰেক্ষাপটত ৰাজ্যৰ সকলো জনস্বাস্থ্য প্ৰতিষ্ঠানৰ মূল্যায়ন সম্পন্ন কৰাৰ বাবে বিগত দুটা বছৰৰ দৰে তৃতীয় বাৰৰ বাবে অসম চৰকাৰে অনুষ্ঠিত কৰিব স্বাস্থ্য সেৱা উৎসৱ। চিকিৎসা মহাবিদ্যালয়ক বাদ দি চৰকাৰী খণ্ডৰ চিকিৎসালয় যেনে- জিলা চিকিৎসালয়, মহকুমা অসামৰিক চিকিৎসালয়, সামূহিক স্বাস্থ্যকেন্দ্ৰ আৰু আয়ুষ্মান আৰোগ্য মন্দিৰত এই মূল্যায়ন অনুষ্ঠিত হব। ৩ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰ, ২০২৪ লৈ তৃতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱা উৎসৱৰ দিন ধাৰ্য কৰা হৈছে। দৰঙত এই উৎসৱৰ প্ৰস্তুতিৰ অংশ হিচাপে ২৯ নৱেম্বৰত জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে কয় যে, জিলাখনত সৰ্বমুঠ ৪৭ খন চিকিৎসালয়ত স্বাস্থ্যসেৱা উৎসৱৰ সময়ত মূল্যায়ন বাবে সামৰি লোৱা হৈছে। ইয়াৰে এখন

( নপৃষ্ঠাত চাওক)

# এবিভিপিৰ ৭০ সংখ্যক ৰাষ্ট্ৰীয় অধিবেশনৰ সামৰণি

ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৭০ সংখ্যক ৰাষ্ট্ৰীয় অধিবেশন উত্তৰ প্ৰদেশৰ গোৰখপুৰ চহৰত সামৰণি পৰে। যোৱা ২২ তাৰিখৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই অধিবেশনত বিভিন্ন ধৰনৰ ভাষণ সত্ৰ, সাংস্কৃতিক কাৰ্যসূচীৰ লগতে প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। ২২ তাৰিখে পতাকা উত্তোলনৰ পাছতেই পুনৰনিৰ্বাচিত সভাপতি ৰাজচৰণ শ্বাহী আৰু নৱ নিৰ্বাচিত সাধাৰণ সম্পাদক ডাঃ বীৰেন্দ্ৰ সিং সোলংকীয়ে দায়িত্ব ভাৰ গ্ৰহণ কৰে। অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত বিশেষ ভাৱে উপস্থিত আছিল বিশিষ্ট উদ্যোগী পদ্মশ্ৰী শ্ৰী শ্ৰীধৰ বেম্বু। অধিৱেশনৰ পূৰ্বে হোৱা কাৰ্যনিৰ্বাহক সভাৰ বৈঠকত শেহতীয়া মণিপুৰৰ পৰিস্থিতিৰ সন্দৰ্ভত এক প্ৰস্তাৱ গ্ৰহণ কৰাৰ ওপৰিও ৰাষ্ট্ৰীয় অধিবেশনত শৈক্ষিক সামাজিক বিভিন্ন বিষয় সামৰি চাৰিটাকৈ প্ৰস্তাৱ গ্ৰহন কৰা হয়। ইয়াৰ ওপৰিও মণিপুৰৰ হিংসাত্মক পৰিস্থিতিৰ সন্দৰ্ভত এবিভিপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিবাহক সভাই এক প্ৰস্তাৱ গ্ৰহণ কৰি চৰকাৰক এই ক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় অধিবেশনত সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ কাৰ্যকৰ্তা সকলৰ এক মিলন ভূমি হিচাপে পৰিগণিত হয় বাবে ইয়াত মিলন ঘটে সমগ্ৰ ভাৰতবৰ্ষ সাংস্কৃতি। অধিৱেশনৰ অন্তিম দিনাত অধ্যাপক যচৱন্ত ৰাও কেলকৰ যুৱ বঁটা প্ৰদান কৰা হয়। এই বৰ্ষত এই বঁটা প্ৰদান কৰা হয় বিশেষ ভাৱে সক্ষম শিশু সকলৰ শিক্ষাৰ ক্ষেত্ৰত কাম কৰি অহা শ্ৰী দীপেশ নায়ককক। এই বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি বঁটা প্ৰদান কৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে। ইয়াৰ ওপৰিও ডিচেম্বৰৰ ২৭, ২৮ আৰু ২৯, ২০২৪ তাৰিখে উত্তৰ লক্ষীমপুৰ চহৰৰ মনিকাঞ্চন সমন্বয় ক্ষেত্ৰত সমগ্ৰ অসমৰ সহস্ৰাধিক প্ৰতিনিধিৰ অংশগ্ৰহণেৰে এবিভিপি অসম প্ৰদেশৰ ৩০ সংখ্যক ৰাজ্যিক অধিবেশন অনুষ্ঠিত হ’বলৈ গৈ আছে।

# সাংসদৰূপে শপত ল'লে প্ৰিয়ংকা গান্ধীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা সংসদৰ সদস্য হিচাপে বৃহস্পতিবাৰে পুৱা ১১ বজাত কেৰালাৰ ৱায়ানাদৰ সাংসদ তথা কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীয়ে শপত গ্ৰহণ কৰে। হাতত সংবিধানৰ প্ৰতিলিপি লৈ লোকসভাত শপতগ্ৰহণ কৰে প্ৰিয়ংকা গান্ধীয়ে। প্ৰিয়ংকা গান্ধীৰ শপতগ্ৰহণৰ সময়ত সংসদত তেওঁৰ মাতৃ ছোনিয়া গান্ধী, ভাতৃ ৰাহুল গান্ধী আৰু দুই সন্তান ক্ৰমে ৰেহান ভাদ্ৰাই আৰু মিৰায়া ভাদ্ৰাইও উপস্থিত থাকে । সংসদত মাতৃ, ভাতৃৰ পাছত গান্ধী পৰিয়ালৰ তৃতীয় গৰাকী সদস্য হ'ব প্ৰিয়ংকা। ইফালে শপতগ্ৰহণৰ পূৰ্বে প্ৰিয়ংকা গান্ধীয়ে কয় যে তেওঁ অত্যন্ত সুখী । উল্লেখ্য যে ২০১৯ চনৰ জানুৱাৰী মাহত আনুষ্ঠানিকভাৱে সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰিছিল প্ৰিয়ংকাই। সেই সময়ত তেওঁ পূব উত্তৰ প্ৰদেশৰ AICC ৰ সাধাৰণ সম্পাদক আছিল। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত ৰাহুল গান্ধীয়ে উত্তৰ প্ৰদেশৰ ৰায়ে বৰেলী আৰু ৱায়ানাদ দুয়োখন আসনত বৃহৎ ব্যৱধানত জয়লাভ কৰিছিল। কিন্তু ৱায়ানাদ আসনখন এৰি দিছিল ৰাহুল গান্ধীয়ে। উপ-নিৰ্বাচনত সেই আসনৰ প্ৰাৰ্থী আছিল প্ৰিয়ংকা গান্ধী। ৪ লাখ ১০ হাজাৰতকৈও অধিক ভোটৰ ব্যৱধানত সেই সমষ্টিৰ পৰা জয় লাভ কৰে প্ৰিয়ংকা গান্ধীয়ে। প্ৰিয়ংকা গান্ধীৰ লগতে কংগ্ৰেছ নেতা ৰবীন্দ্ৰ বসন্তৰাও চাৱনেও লোকসভাত সাংসদ হিচাপে শপত গ্ৰহণ কৰে । লোকসভাৰ উপ-নিৰ্বাচনত নান্দেড় লোকসভা আসনত জয় লাভ কৰে ৰবীন্দ্ৰ বসন্তৰাও চাৱনে ।

# অসম চৰকাৰৰ ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উদ্‌যাপন




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতবৰ্ষৰ দুগ্ধমানৱ ড° ভাৰ্গিজ কুৰিয়ানৰ জন্মবাৰ্ষিকী উপলক্ষে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগ তথা দুগ্ধ উন্নয়ন সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত কলাক্ষেত্ৰৰ চৌহদত থকা শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰি ভাৰতৰ দুগ্ধমানৱ খ্যাত ড° ভাৰ্গিজ কুৰিয়ানক সশ্ৰদ্ধ স্মৰণ কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত আমাৰ শৰীৰত গাখীৰৰ উপযোগিতাৰ বিষয়ে উল্লেখ কৰে আৰু দুগ্ধ ক্ষেত্ৰৰ উত্তৰণৰ পোষকতা কৰে। বিশ্বৰ মুঠ দুগ্ধ উৎপাদনত প্ৰায় ২৫% অৰিহণা যোগাই ভাৰতবৰ্ষই বিশ্বত এক উল্লেখনীয় স্থান দখল কৰিছে বুলি মত প্ৰকাশ কৰি অসমৰ মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বত অসমত দুগ্ধ উৎপাদন বৃদ্ধিৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ কথাও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত মিতভাষ স্ৰষ্টা ড° নগেন শইকীয়ালৈ 'ৰামানুজন শিক্ষক বঁটা ২০২৪' প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদ, সাহিত্য একাডেমি ফেল' সন্মানপ্ৰাপক তথা মিতভাষৰ স্ৰষ্টা ড° নগেন শইকীয়াক অসমৰ এখন নামজ্বলা শিক্ষানুষ্ঠান নগাঁওস্থিত ৰামানুজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে "ৰামানুজন শিক্ষক বঁটা-২০২৪"প্ৰদান কৰে। ডিব্ৰুগড়ৰ সাহিত্যিক গৰাকীৰ বাসভৱন 'আশ্ৰয়'ত এই বঁটা প্ৰদান কৰে শিক্ষানুষ্ঠানটিৰ হৈ অধ্যক্ষ দিলীপ কুমাৰ বৰা, উপাধ্যক্ষ সংগীতা বৰুৱা বৰা আৰু শিক্ষয়িত্ৰী ত্ৰিবেণী শৰ্মাই। শিক্ষানুষ্ঠানটিয়ে সাহিত্যিক গৰাকীক ফুলাম গামোচা, গৰম বস্ত্ৰ, তিনিটা স্মাৰক আৰু ১০,০০০/-(দহ হেজাৰ)টকাৰ চে'কসহ প্ৰশংসাপত্ৰ প্ৰদান কৰি এই সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে শিক্ষক দিৱস উপলক্ষে চলিত বৰ্ষত শিক্ষানুষ্ঠানটিয়ে ড° শইকীয়াৰ লগতে বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° উপেন ৰাভা হাকাচাম, নগাঁও কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মহেন্দ্ৰ আহোমক এই বঁটা প্ৰদানৰ কথা ঘোষণা কৰিছিল। কিন্তু উক্ত দিনা শাৰিৰীক অসুস্থতাৰ হেতুকে নগাঁৱত বঁটা গ্ৰহণ কৰিব নোৱাৰাৰ বাবে ড° শইকীয়াৰ বাসগৃহত আহি শিক্ষানুষ্ঠানটিৰ তৰফৰ পৰা এই বঁটা প্ৰদান কৰা হয়। শিক্ষানুষ্ঠানটিৰ হৈ অধ্যক্ষ বৰুৱাই শইকীয়াৰ দৰে (নপৃষ্ঠাত চাওক)

# অসম সাহিত্য তথা সংবাদ জগতৰ বাবে এক দুঃখবৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ সংবাদজগতৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক, নিবন্ধকাৰ, ঔপন্যাসিক বুলন কুমাৰ শইকীয়া আৰু নাই। নাহৰকটীয়াৰ নিজা বাসগৃহত মাত্ৰ ৪৮ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে বুলন কুমাৰ শইকীয়াই। জ্যেষ্ঠ সাংবাদিকগৰাকীৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে সংবাদ জগতখনৰ লগতে ডিব্ৰুগড়বাসী। দীৰ্ঘদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত হৈ আছিল শইকীয়া। কেইবাখনো জনপ্ৰিয় গ্ৰন্থৰ স্ৰষ্টা আছিল বুলন কুমাৰ শইকীয়া। সাংবাদিকতাৰ লগতে নিৰৱিচ্ছিন্নভাৱে চলাই গৈছিল সাহিত্যৰ চৰ্চা। উল্লেখযোগ্য যে, ৯০ দশকত সংবাদ ক্ষেত্ৰখনত ভৰি দিয়া বুলন কুমাৰ শইকীয়াৰ লেখনিয়ে সততেই ৰাইজৰ মন-মগজুক আচোঁৰ মাৰি গৈছিল। তেখেতে ৰাজ্যৰ কেবাখনো বাতৰি কাকতত সংবাদ সেৱা আগবঢ়াইছিল। ২০০৮ চনত অসমৰ ব্যক্তিগত খণ্ডৰ এটি টেলিভিশ্বন চেনেলত যোগদান কৰি নাহৰকটীয়াৰ পৰা বৈদ্যুতিন মাধ্যমৰ প্ৰথমগৰাকী সাংবাদিক ৰূপে সেৱা আগবঢ়াইছিল শইকীয়াই। ইয়াৰোপৰি এজন ভিক্ষুৰ জন্ম, অসম ভাৰত, দ্যা আৰকান ইন্টেল, মোৰ আইৰ নাম মিলিকি বৰুৱা নামৰ কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল বুলন কুমাৰ শইকীয়াই। শেহতীয়াকৈ চি ইন চি নামৰ এখন গ্ৰন্থৰ কামো কৰি আছিল যদিও প্ৰকাশৰ পথত আছিল। ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিকজনৰ মৃত্যু শোকৰ ছাঁ পৰিছে।

# বংশৰত পাঠভৱন শিক্ষা ফাউণ্ডেশনৰ বঁটা বিতৰণী অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপৰ বংশৰত পাঠভৱন শিক্ষা ফাউণ্ডেশনৰ উদ্যোগত ২৪ আৰু ২৫ নৱেম্বৰত বাৰ্ষিক বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। ২৪ নৱেম্বৰত ছাত্ৰ ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে ২৫ নৱেম্বৰত পুৱা বন্তি প্ৰজ্বলন কৰে বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই। মঞ্চ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক কৰুণাকান্ত বৈশ্য। অনুষ্ঠানটোত উপস্থিত থাকে দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সৌৰভ সেন গুপ্তা, উদীয়মান অভিনেতা নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্য, সমাজকৰ্মী সুভাষ চন্দ্ৰ বৈশ্য, অৱসৰপ্ৰাপ্ত শিক্ষক পৰমা দাস। সাংস্কৃতিক অনুষ্ঠানৰ মাজতে বিজয়ী সকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত গীত পৰিৱেশন কৰে কণ্ঠশিল্পী কৰিস্মা ৰাণী, ৰাজ মহিম নাথ, ডাঃ শ্যামন্ত কলিতা আৰু দীপজ্যোতি কলিতাই গীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰে বুলি স্কুল পৰিচালিকা পূৰবী শৰ্মা আৰু স্কুল পৰিচালক কাজল দাসে জনাইছে। অনুষ্ঠানটো আতধৰে প্ৰাণকৃষ্ণ দাসে।

# বাজপেয়ী ভৱনত নৱনিৰ্বাচিত তিনি বিধায়কক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বশিষ্ঠস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত সদ্যসমাপ্ত উপ- নিৰ্বাচনত বিজয়ী দলটোৰ তিনি বিধায়ক ক্ৰমে দিপুৰঞ্জন শৰ্মা, দিগন্ত ঘাটোৱাল আৰু নিহাৰৰঞ্জন দাসক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে উপ-নিৰ্বাচনৰ ফলাফল প্ৰকাশৰ পাছত অসম বিধানসভাত বিজেপি একক সংখ্যাগৰিষ্ঠ দললৈ ৰূপান্তৰ হ'ল। মিত্ৰদলক বাদ দিও বিজেপি একক সংখ্যাগৰিষ্ঠ দললৈ ৰূপান্তৰিত হ'ল। বিজেপি দলে মিত্ৰতাক বিশ্বাস কৰে। মিত্ৰতাক বিশ্বাস কৰে বাবেই এইবাৰ উপ- নিৰ্বাচনত বিজেপিয়ে বঙাইগাঁও আৰু চিদলীৰ আসন দুখন মিত্ৰদল অগপ আৰু ইউপিপিএলক এৰি দিছে। কাৰণ, ২০২১ চনত হোৱা মিত্ৰতা অহা ২০২৬ চনলৈ আছে। সেয়ে এইবাৰ উপ-নিৰ্বাচনত বঙাইগাঁও আৰু চিদলীৰ আসন দুখন মিত্ৰদল অগপ আৰু ইউপিপিএলক এৰি দিয়া হৈছে। ইয়াৰ পূৰ্বে সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত বিপিএফে বিজেপিৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হোৱাৰ পাছতো দলটোৰ তিনি মন্ত্ৰী ক্ৰমে প্ৰমীলাৰাণী ব্ৰহ্ম, চন্দন ব্ৰহ্ম আৰু ৰিহণ দৈমাৰীক মন্ত্ৰীসভাত অন্তিম মুহূৰ্তলৈ ৰাখিছিল। কাৰণ, সেই সময়তো বিপিএফৰ সৈতে হোৱা মিত্ৰতা ৫ বছৰীয়া আছিল। মিত্ৰতাৰ ধৰ্ম ভংগ নকৰাৰ বাবেই বিপিএফৰ তিনি মন্ত্ৰীক অন্তিম মুহূৰ্তলৈ মন্ত্ৰীসভাত ৰখা হৈছিল। কিন্তু কংগ্ৰেছ দলে মিত্ৰতাৰ ধৰ্ম পালন নকৰে। ২০২১ চনত বিহালীৰ আসনখন চিপিআই (এমএল)দলক এৰি দিছিল। এইবাৰ উপ-নিৰ্বাচনত কংগ্ৰেছে মিত্ৰদল চিপিআই (এমএল) ক এৰি দিয়াৰ পৰিৱৰ্তে নিজে প্ৰতিদ্বন্দ্বিতা কৰিলে। কংগ্ৰেছ বা চিপিআই (এমএল) যিয়েই প্ৰতিদ্বন্দ্বিতা নকৰক কিয়, বিহালীত হৰাটো নিশ্চিত আছিল। কিন্তু কংগ্ৰেছে হৰাৰ অধিকাৰো মিত্ৰদলক দিয়া নাই। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ আদৰ্শ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী বুলি উল্লেখ কৰি কয় যে কংগ্ৰেছৰ আদৰ্শ হৈছে ৰাজপৰিয়াল। কিন্তু আমাৰ আদৰ্শ ৰাজপৰিয়াল নহয়।

*(দহ পৃষ্ঠাত চাওক)*

# ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে ৪০২ সংখ্যক "বীৰ লাচিত দিৱস" উদ্‌যাপন




ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু আহোম জাতীয় গণমঞ্চৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসন আৰু বৃহত্তৰ পথালিবাম অঞ্চলৰ ৰাইজৰ সহযোগত কেন্দ্ৰীয়ভাৱে পথালিবাম পানীতোলা গ্ৰাণ্ট মজলীয়া বিদ্যালয়ৰ খেলপথাৰত ৪০২ সংখ্যক "বীৰ লাচিত দিৱস" উদযাপন কৰা হয়। "বীৰ লাচিত দিৱস"ৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া। বীৰ লাচিত দিৱসৰ কেন্দ্ৰীয় কাৰ্য্যসূচীত অংশগ্ৰহণ কৰি কেবিনেট মন্ত্ৰী বিমল বড়াই বীৰ লাচিত বৰফুকনৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনাই কয় যে, প্ৰচণ্ড স্বদেশ প্ৰেম, প্ৰৱল কৰ্তব্য নিষ্ঠা আৰু বিচক্ষণতাই বীৰ লাচিত বৰফুকনক

*(দহ পৃষ্ঠাত চাওক)*

# কৃষ্ণ ভক্তি ৰসত বিলীন শুৱালকুছি ৰাসস্থলী



ৰঙিলী বাৰ্ত্তাসেৱা- আধুনিক প্ৰযুক্তিবিদ্যাই সকলোফালে গা কৰি উঠাৰ সমান্তৰালকৈ সমাজখনক যান্ত্ৰিকতাৰ কৱলত পৰা সাময়িক ভাৱে মুক্ত ৰাখি আধ্যাত্মিক ভাবধাৰাৰে সমাজৰ মাজত একতাৰ দোলেৰে বান্ধি ৰাখিবলৈ প্ৰয়োজন হয় এনে কিছুমান অনুষ্ঠানৰ। শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদযাপন শৰতৰ তেনে এক ভক্তিভাৱৰ অনুষ্ঠান। যোৱা ১৫ নৱেম্বৰ ২০২৪ তাৰিখৰ পৰা শুৱালকুছি বালিচৰত এঘাৰ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৩২ সংখ্যক ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হয়। ইয়াৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে

*(দহ পৃষ্ঠাত চাওক)*

# আৰছেটি দৰঙৰ এমহীয়া বিনামূলীয়া চিলাই প্ৰশিক্ষণৰ সামৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- "কোনো কামৰ সৈতে একাত্ম হলেহে কৃতকাৰ্যতা লাভ কৰিব পাৰি দক্ষ ব্যক্তিৰ চাহিদা সকলো ক্ষেত্ৰতে আছে।" এই ভাষ্য দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ। গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান(Rural Self Employment Training Institute, Darrang)চমুকৈ আৰছেটি দৰঙৰ ১নং বেজপাৰা স্থিত প্ৰশিক্ষণ প্ৰতিষ্ঠানত যোৱা ২২ অক্টোবৰৰ পৰা আৰম্ভ হোৱা বিনামূলীয়া ৩০ দিনীয়া 'মহিলাৰ চিলাই' (Women's Tailor) প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত দৰঙৰ জিলা আয়ুক্ত গৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰশিক্ষাৰ্থী সকলক শুভেচ্ছা প্ৰদানেৰে ভৱিষ্যত উপযোগী পৰামৰ্শ আগবঢ়ায়। তেওঁ ভাষণত কয় যে প্ৰশিক্ষণ সমাপ্তিৰ অন্তত আৰ্জিত জ্ঞান আৰু অভিজ্ঞতাৰে স্বনিয়োজনৰ বাবে হাতে কামে প্ৰচেষ্টা অব্যাহত ৰাখিলে ফলাফল লাভ কৰিব পাৰি। আনহাতে চৰকাৰী বিভিন্ন আঁচনিৰ সুফল লাভ কৰিবলৈ প্ৰশিক্ষাৰ্থী বা নউদ্যমী জন মানসিক দৃঢ়তাৰে পৰিস্থিতিৰ সৈতে খোজ মিলাই যাবলৈ প্ৰস্তুত থাকিবলৈ সক্ষম হ'ব লাগিব বুলি তেওঁ প্ৰকাশ কৰে। অনুষ্ঠানত জিলা অগ্ৰণী বেংক বিষয়া কিশোৰী ৰাম আৰু ইউকো বেংক মঙ্গলদৈ শাখাৰ সহ প্ৰবন্ধক বিক্ৰম সিং য়ে বেংক ঋণৰ কাৰিকৰী দিশ সম্পৰ্কে আলোকপাত কৰে। আৰছেটিৰ সঞ্চালক বিজয় শৰ্মাই প্ৰশিক্ষাৰ্থী সকলৰ সৰ্বাংগীন বিকাশৰ হেতু স্বনিয়োজনৰ ক্ষেত্ৰত আৰছেটিৰ ভূমিকা সম্পৰ্কে অৱগত কৰে। আৰছেটিৰ জ্যেষ্ঠ প্ৰশিক্ষক কিশোৰ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত অগ্ৰণী বেংক কাৰ্যালয়ৰ প্ৰবন্ধক সুজিত কুমাৰ তথা আৰছেটিৰ অন্যান্য কৰ্মচাৰী বৃন্দ উপস্থিত থাকে। উল্লেখ্য যে জিলাখনৰ ভিন্ন প্ৰান্তৰ ৩৩ গৰাকী মহিলা-যুৱতীয়ে উক্ত প্ৰশিক্ষণত অংশগ্ৰহণ কৰি উত্তীৰ্ণৰ প্ৰমাণপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। এমহীয়া প্ৰশিক্ষণ কাৰ্যসূচীত "মহিলাৰ চিলাইৰ " পাৰদৰ্শী ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে ডমেইন স্কীল ট্ৰেইনাৰ বন্দনা চহৰীয়াই। আনহাতে কাৰ্যসূচীৰ প্ৰাৰম্ভণিতে ভাৰতত প্ৰতি বছৰে ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হোৱাৰ স্মৃতিত উদযাপন কৰা সংবিধান দিৱসৰ ৭৫ সংখ্যক বৰ্ষত উপনীত হোৱাৰ সৈতে সংগতি ৰাখি আটায়ে সংবিধানৰ প্ৰস্তাৱনাৰ শপত গ্ৰহণ কৰে।।

# জ্ঞানদ্বীপ হাজৰিকালৈ USTMৰ চাকৰি

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ৰাজপথত আৰক্ষীয়ে প্ৰহাৰ কৰা জ্ঞানদ্বীপ হাজৰিকালৈ USTMৰ চাকৰি। ডেলিভাৰী বয় হিচাপে কৰ্মৰত যুৱকজনক ইউনিভাৰ্চিটি অৱ চাইন্স এণ্ড টেকনলজি, মেঘালয় কৰ্তৃপক্ষই দিছে নতুন কামৰ সন্ধান। উল্লেখ কৰা প্ৰয়োজন যে, যোৱা ২৫নৱেম্বৰত ইউ এছ টি এমৰ অধ্যক্ষক সাক্ষাত কৰিছিল জ্ঞানদ্বীপে। তাৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা ৰাজহুৱা কৰিছে ইউ এছ টি এমে। কিছুদিনৰ পূৰ্বে ফাঁচীবজাৰত এগৰাকী আৰক্ষী বিষয়াই লঘু দোষতে অতিপাত প্ৰহাৰ কৰিছিল জ্ঞানদ্বীপক। এই ঘটনা পোহৰলৈ অহাৰ পাছতে ৰাজ্যজুৰি জ্ঞানদ্বীপৰ সপক্ষে সৃষ্টি হৈছিল এক জোঁৱাৰ। ঘটনাৰ গভীৰতা উমান পাই আৰক্ষী সঞ্চালক প্ৰধানে ততালিকে চাকৰিৰ পৰা নিলম্বন কৰি বিভাগীয় তদন্তৰ ঘোষণা কৰিছিল আৰক্ষী বিষয়াগৰাকীৰ বিৰুদ্ধে। জ্ঞানদ্বীপৰ এই নতুন চাকৰিয়ে মেধাৱী ছাত্ৰগৰাকীৰ জীৱনলৈ কঢ়িয়াই আনিছে আশাৰ ৰেঙনি। সকলো ঠিকে ঠাকে থাকিলে অচিৰেই ইউ এছ টি এমত নতুন চাকৰিত যোগদান কৰিব জ্ঞানদ্বীপে। এই সন্দৰ্ভত জ্ঞানদ্বীপ হাজৰিকাই কয় যে, মোৰ বাবে এয়া ভাল খবৰ। বিগত সময়চোৱাত মই বহু কষ্টৰ সন্মুখীন হৈছিলো। তেওঁ যি পদক্ষেপ ল'লে তাক লৈ মই বহুত সুখী। জ্ঞানদ্বীপে লগতে কয় যে, এই পদক্ষেপৰ বাবে মাহবুবুল হক ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁ বহুত মৰমিয়াল। তেওঁ মোক মাতি নি গামোচা পিন্ধাইছে আৰু সাহস, আশীৰ্বাদ দিছে। ইয়াৰ লগতে জ্ঞানদ্বীপৰ বেয়া সময়ত তেওঁৰ হৈ থিয় দিয়া প্ৰতিগৰাকী বন্ধু আৰু সমূহ অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে।

# এসময়ত কাঁহ-পিতলৰ সামগ্ৰী বিলুপ্ত হৈ যাব নেকি ?



সোণৰ অসম। ভাৰত মাতাৰ ৰূপহী জী অসমী আইক প্ৰকৃতিয়ে অতুল বৈভৱেৰে ঐশ্বৰ্য্যশালী কৰাই নহয়, স্ৰষ্টাৰ মহিমায়ী সৃষ্টি কৌশলৰ চিৰন্তন প্ৰতিফলন আমাৰ অসম। কলা-সংস্কৃতিৰ ভঁৰাল হিচাপে পৰিগণিত অসমখন শিল্প কলাৰ ক্ষেত্ৰতো ভাৰতৰ ভিতৰতে নিজস্ব আসন লাভ কৰিবলৈ সক্ষম হৈছে। হস্তশিল্পৰ বাবে অসম এসময়ত ভাৰত বিখ্যাত আছিল। কিন্তু বৰ্তমান সময়ত এই শিল্প সমূহ সাময়িকভাৱে লেহেম হৈ পৰিছে। বিভিন্ন সমস্যাৰে জৰ্জৰিত হোৱা আলোচ্য কাঁহ-পিতলৰ বহুমূলীয়া শিল্পটোও ক্ৰমে অৱনতিৰ দিশে গতি কৰিছে।

আহোম ৰাজত্বৰ কালতেই ঐতিহাসিক হস্তশিল্পৰ ব্যাপকতাত অসমৰ কাঁহ-পিতলৰ সামগ্ৰীয়ে বিকাশ লাভ কৰিছিল। কাহঁ-পিতলৰ সামগ্ৰীৰ বাবে এসময়ত ভাৰত বিখ্যাত আছিল। হাজো- সৰ্থেবাৰীৰ কাঁহ-পিতলৰ শিল্পৰ কথা আমি সকলোৱে জানো যাৰ সুনাম ভাৰতৰ ভিতৰতে বৈ বৈ গৈছিল। আজিও এই অঞ্চল সমূহে নিজৰ ঐতিহাসিক পৰম্পৰা ৰক্ষা কৰি অসমৰ নাম জিলিকাই ৰাখিছে। এই অঞ্চলসমূহৰ জনসাধাৰণে কাঁহ-পিতলৰ শিল্পৰ জড়িয়তে জীৱন নিৰ্বাহ আৰু সাংস্কৃতিক পৰম্পৰা বহন কৰি আহিছে। যদিও স্বকীয় প্ৰতিভাৰে জিলিকি থকা কাঁহ-পিতলৰ সামগ্ৰীৰ চাহিদা এতিয়া বহু পৰিমাণে কমি গৈছে আৰু আগলৈ নকমিবলৈ আমাৰ আপ্ৰাণ চেষ্টা লাগিব। বৰ্তমান এইবোৰ তৈয়াৰ কৰা কৰিকৰ সকলৰ অভাৱ পূৰণত ই পূৰ্ণ ব্যৰ্থ হৈ পৰিছে। বিজ্ঞানৰ যুগৰ বৃহৎ বৃহৎ উদ্যোগৰ জাকজমকীয় সামগ্ৰীয়ে বজাৰ দখল কৰি ৰাখিছে তাত বাহ্যিক জাকজমকীয়তাৰ প্ৰতি মানুহৰ আকৰ্ষণো বৃদ্ধি পোৱা দেখা গৈছে। সন্মানৰ সামগ্ৰী হিচাপে পৰিগণিত হৈ অহা বিভিন্ন ধৰণৰ কাঁহ-পিতলৰ বাচন-বৰ্তন, বাণকাঁহী, বাণ বাটি, হাতীখুজীয়া বাটি, লোটা, ঘটি, কলহ, বঁটা, শৰাই আদিৰ ঠাইত কাঁচ-তীখাৰ ৰং বিৰঙী সামগ্ৰীৰ সমাদৰ বাঢ়িছে। ফলত প্ৰকৃত কাঁহ-পিতলৰ সামগ্ৰীলৈ মানুহৰ আকৰ্ষণ আৰু শ্ৰদ্ধা দুয়োটাই কমি আহিছে। তদুপৰি কাৰিকৰ সকলৰ আৰ্থিক অনাটন, প্ৰয়োজনীয় কেঁচা সামগ্ৰীৰ অভাৱৰ লগতে আধুনিক বিজ্ঞানসন্মত কৌশলৰ ক্ষেত্ৰত কাৰিকৰ সকল যথেষ্ট দুৰ্বল সেয়ে এই শিল্প উদ্যোগ সমূহৰ উত্তৰণত বাধা হৈ আছে। প্ৰয়োজনীয় কেঁচা মাল বাং, তামৰ লগতে ইন্ধনৰ বাবে প্ৰয়োজনীয় এঙাৰ অসমত পোৱা নাযায় যাৰ ফলত এইসমূহ বাহিৰৰ পৰা আমদানি কৰা হয় ইয়াতো অধিক মূল্য ভৰিবলগীয়া হয়, যিটো নিম্ন শ্ৰেণীৰ কাৰিকৰ সকলৰ বাবে সম্ভৱ হৈ নুঠে। তদুপৰি পৰিশ্ৰম অনুযায়ী মজুৰি নোপোৱাত সিহঁতৰ পৰিয়াল পোহপাল দিয়াত জটিল হৈ পৰে। লাভৰ যি অংশ তাৰ অধিকাংশ ধন মহাজনৰ হাতলৈ যায়। সেয়ে অধিক পৰিশ্ৰমেৰে তৈয়াৰ কৰা সামগ্ৰীৰ উৎপাদন কম হোৱাৰ বাবে সামগ্ৰীৰ মূল্য বৃদ্ধি কৰিব লগা হয়। আৰু মূল্য অধিক হোৱাৰ বাবেই যান্ত্ৰিক পদ্ধতিৰে তৈয়াৰ কৰা আৰু কম দামী সামগ্ৰীৰ তুলনাত এই গৌৰৱপূৰ্ণ কাঁহ-পিতলৰ সামগ্ৰীসমূহে মানুহৰ অৱহেলাত পৰিছে। চাকৰিৰ মনোবৃত্তি গঢ়ি উঠাৰ কাৰণেও এই ক্ষুদ্ৰ হস্তশিল্পৰ চৰ্চাত মানুহৰ আওকাণ হৈছে।

কথাতেই আছে পৃথিৱীত যেতিয়া লৈ নিম্ন শ্ৰেণীৰ মানুহ থাকিব তেতিয়ালৈ হস্তশিল্পও বৰ্তি থাকিব, যিমানেই বিজ্ঞানৰ উন্নতি সাধন আৰু বিজতৰীয়া সভ্যতাই বিকাশ লাভ নকৰক কিয়। ইয়াৰ বাবে অসমীয়া জাতি কাৰিকৰী দিশত অনুন্নত বুলি নকও, কিন্তু তাৰ কাৰণে সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। প্ৰয়োজনীয় কেঁচা সামগ্ৰীৰ যোগান ধৰা, আত্মনিয়োগৰ বাবে উপযুক্ত সুযোগ সুবিধাৰে চৰকাৰী পৃষ্ঠপোষকতাৰো প্ৰয়োজন । সু-পৰিকল্পিত নীতি নিৰ্দেশনাৰে অসমীয়া শিল্পী সকলক দক্ষ শিল্পী হিচাপে গঢ় দি আগুৱাই লৈ যাব পৰা যায়।

বৰ্তমান সময়ত অসমত নিবনুৱা যুৱক-যুৱতী সকলক বছৰৰ পিছত বছৰ কেৱল চাকৰিৰ বাবে দৌৰাই থকাতকৈ চৰকাৰী সাহায্যৰে জাতীয় ঐতিহ্য বহন কৰা কাঁহ-পিতলৰ সামগ্ৰীৰ শিল্পৰ দৰে অন্যান্য শিল্প সমূহৰ প্ৰতিও শ্ৰদ্ধাশীল আৰু আগ্ৰহশীল কৰি তুলিব পাৰি। ইয়াৰ ফলত নিবনুৱা সমস্যাও কিছু পৰিমাণে কমি গৈ উপাৰ্জনৰ পথ প্ৰশস্ত হ'ব লগতে ঐতিহাসিক শিল্প সমূহে নিজৰ ঐতিহ্য বহন কৰি জীয়াই থাকিব। নহ'লে এটা সময়ত কাঁহ-পিতলৰ সামগ্ৰীৰ লগতে অন্যান্য কুটিৰ শিল্প সমূহেও চৰকাৰী বেচৰকাৰী উপযুক্ত পৃষ্ঠপোষকতাৰ অভাৱতেই বিলুপ্ত হৈ পৰিব।

**মাৰ্জিনা বেগম, বৰপেটা**

# দহন সনা বুকু



**অভিজিত সোনোৱাল,ডিব্ৰুগড়**

প্ৰাপ্তিৰ ব্যাকুলতা কোনেনো নিবিচাৰে,  
সবাধ হোৱা বুকুত নিজক মজিবলৈ  
নিতান্তই প্ৰয়োজন এজাক সেউজীয়া বৰষুণৰ।  
বাসনাৰ ঢৌবোৰ বুকুত সিচি..  
নিজক কেনেকৈ কৰো অস্বীকাৰ!  
মইয়ে হাৰি যাও তোমাৰ প্ৰণয় ব্যাকুলতাৰ মাজত।  
চাব খোজো যে প্ৰতিবাৰ তোমাৰ মুখনি।  
অথচ অস্পৃশ্যতা প্ৰাংগনত কত হেৰাই হেঁপাহবোৰ।  
লিখি থও মই প্ৰতিদিনে মামৰে ধৰা কাগজত তোমালৈ বুলি চিঠি...  
অথচ সিও বেইমান।  
প্ৰাপ্তিৰ ব্যাকুলতা সামান্য এটুকুৰা কাগজেও নিবিচাৰে।  
পচি যায় কাগজৰ টুকুৰা বোৰ।  
ৰুদ্ধ হয় উশাহবোৰ।  
মানুহে কয়, কত প্ৰেম-বাসনাত লিৰিলি থকা  
হৃদয় এতিয়া বেপেৰুৱা হ'ল।  
এৰা, মানুহে ঠিকেই কয়;  
ধৰাৰ বুকুলৈ আহিছোঁ মই...  
একোৰা জুইত মোৰ বেপেৰুৱা হৃদয় দহন কৰিবলৈ।

# আঘোণৰ পথাৰখন



**বিশ্বজিৎ বৈশ্য,বংশৰ,শুৱালকুছি**

এতিয়া পথাৰৰ চৌপাশৰ পৰিবেশটো সঁচাকৈয়ে মোহনীয়। গেৰ ধৰা সোনগুটি পথাৰৰ পৰা ঘৰলৈ নিয়াৰ সময়। হেঁপাহৰ আঘোনৰ পথাৰখনৰ মাজত লুকাই আছে চহা অসমীয়াৰ সপোন। শাওন মাহত ভুই ৰুই আঘোনত সোনগুটি অৰ্থাৎ লখিমীক আদৰে ভঁৰাললৈ। চহা অসমীয়াৰ ব্যস্ততাপূৰ্ণ মাহটোৰে হল, আঘোন মাহ। আঘোনৰ পথাৰত মতলীয়া হৈ দাৱনী সকলে গীত জুৰে-

"আঘোনৰে পথাৰত পকাধানে ৰিঙিয়াই  
চৰাইয়ে খুটিয়াই খাই.."


এই সময়চোৱাত ব্যস্ত হৈ পৰা দেখা যায় গাঁৱৰ ঘৰৰ সৰুজনৰ পৰা বৃদ্ধ জনলৈ সকলোকে। কোনোবাই যদি পথাৰত চাহ দিব গৈছে কোনোৱাই ভাত, কোনোৱাই আকৌ তামোল-পাণ মুঠতে ব্যস্ততাই ব্যস্ততা। প্ৰখৰ ৰ'দকো নেওচি ধান কটাত ব্যস্ত হৈ পৰে দাৱনীসকল। দুপৰীয়া একেলগে বহি আঘোনৰ পথাৰত লগভাত খোৱা মজাও সুকীয়া। মাদকতাৰে ভৰা এই পথাৰখন চাইযেন থৰ হৈ পৰে চকুযুৰি। ৰ লাগি চাই ৰৈ যায় বাটৰুৱাই। নিজৰ ম'বাইল ফোনটোত যেন একপি ফটো উঠাই সাচি ৰখিবৰ চেষ্টা হেঁপাহৰ ধাননি পথাৰখনৰ। শ্ৰদ্ধাৰ শিল্পী, গীতিকাৰ ৰুদ্ৰ বৰুৱাই গাই যোৱা-

"পকা ধানৰ মাজে মাজে সৰু সৰু আলি অ  
সৰু সৰু আলি..."

এই শব্দবোৰে যেন আমাক বুজাই দিছে ইয়াৰ তাৎপৰ্য। প্ৰখৰ ৰ'দত আলিত বহি দাৱনীসকলে ৰবাব টেঙাৰ জুতি লোৱাৰ আনন্দও সুকীয়া। আচলতে আঘোন মানেই সগৰ্ভা পৃথিৱী... ভঁৰাললৈ লখিমীৰ শুভ আদৰণি ।

# স্পৰ্শ

**আয়ুস্মান গগৈ**



স্পৰ্শতো মোক বহুতে কৰিছে,  
কিন্তু শিহৰণ তুমি চুলেহে উঠে।  
কিতাপৰ মাজতে সাঁচি থৈছিলোঁ  
তুমি দিয়া ফুলপাহ,  
মেলি চালোঁ, আজিও তাত  
তোমাৰেই সুগন্ধ আছে।

# বনভোজ শীতৰ এক আমেজ



**অনামিকা(সংগীতা)কলিতা, শুৱালকুছি**

বনভোজ নামটোৱে এছাটি শীতল বতাহ কঢ়িয়াই লৈ আহে আমাৰ জীৱনত। ব্যস্ততাৰ পৃথিৱীখনত যান্ত্রিকতাৰ জীৱনৰ অকণমান অৱসাদ দূৰ কৰা মাধ্যম হ'ল বনভোজ বা পিকনিক। ভাগৰুৱা শৰীৰৰ বিশ্রাম লৈ অলপ সজীৱ ভাৱ আনিবলৈ আপোন পৰিয়ালৰ সৈতে বা বন্ধু-বান্ধৱীৰ সৈতে সেউজীয়া গছ-গছনিৰে ভৰা ঠাইত এসাজ খোৱা অকণমান ৰং-ধেমালি কৰাৰ সুবিধা লাগে। শীতৰ কুঁৱলী পৰা মায়াময় পৰিৱেশৰ মাজত জুইৰ আমেজ লোৱা আলু পুৰি খোৱা এই সকলোবোৰ বিচাৰি পাওঁ বনভোজৰ যোগেদি কাৰণ গাঁওত বা চহৰত বৰ্তমান সেই পৰিৱেশ দুৰ্লভ হৈ পৰিছে।

কিছুদিনৰ পিছত সেউজীয়া পৃথিৱী খনলৈ আকৌ নতুন বছৰ আহিব। আমাৰ জীৱনৰ পৰাও এটা বছৰ মেলানি মাগিব আৰু এটা বছৰৰ অভিজ্ঞতাৰে পৰিপূৰ্ণ কৰি তুলিব কিছু স্মৃতি হৃদয়ত খোদিত হ'ব সময়ে দি যাব সকলোবোৰৰ সমাধান। গতিকে আত্মীয় বন্ধু-বান্ধৱী সৈতে সকলো মিলি প্ৰাকৃতিক পৰিবেশৰ মাজত লগে ভাগে এসাজ তৃপ্তিৰে খোৱা মন প্ৰাণ সজীৱতা আনি দিয়ে। কাৰণ বৰ্তমান ব্যস্ততাৰে ভৰা যান্ত্রিকতাৰ জীৱনত অকণমান মুকলি আকাশৰ তলত অলপ বিশুদ্ধ বায়ুৰ খুবেই প্ৰয়োজন আছে। এগৰাকী দাৰ্শনিক কৈছিল--সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে। তাৰ কাৰণে নিজৰ মনটোক এটা সুস্থিৰ পৰিবেশত সময় পালেই কটাব লাগে।

নতুন বছৰক উলাহ-মালাহেৰে আদৰাৰ সময় পুৰণি বছৰটোৰ কিছু আপুৰুগীয়া স্মৃতি হৃদয়ত থাকে সেইখিনি বনভোজৰ পৰিৱেশত পোৱা যায়। উলাহ-মালাহেৰে প্ৰকৃতিৰ মাজত হাঁহি-ধেমালিৰ কিছু ক্ষণ আপোন সকলৰ লগত কটাও মিলিত হৈ বনভোজৰ যোগেদি মৰমৰ এনাজৰী অনুভৱ কৰো। এয়া জীৱনৰ মাদকতা ---

কিন্তু বনভোজ যাওঁতে সদায় মনত ৰাখিব লাগিব যি ঠাইত গৈ উপভোগ কৰে সেই ঠাইখিনি পৰিস্কাৰ কৰাৰ দায়িত্বও আছে। কাৰণ সেই ঠাইডোখৰ পৰিস্কাৰ পৰিচ্ছন্ন কৰি থৈ আহিলেহে বেলেগ আকৌ কোনোবা গ'লে বিৰক্তি অনুভৱ নকৰে। প্ৰফুল্ল মনেৰে তেওঁলোকেও লগেভাগে এসাজ খাব পাৰে তেতিয়া বনভোজৰ শান্তিপূৰ্ণ পৰিৱেশ পাব। বনভোজ খাবলৈ গ'লে ঠাইখিনিৰ সম্পূৰ্ণ তথ্য লোৱাৰ লগতে প্ৰাথমিক চিকিৎসাৰ সাধাৰণ বস্তু কেইপদ আৰু শাৰিৰীক মানসিক ভাবে সুস্থ সবল গাড়ীচালককহে নিব লাগে।

# নাৰী



**নিৰ্মালি বৰা হাজৰীকা, নগাওঁ**

নাৰী
তুমি সপ্তৰঙী ৰামধেনুৰ
বিচ্ছুৰিত বৰ্ণালী ;
মমতাময়ী মাতৃ।
তোমাৰ বুকুত জীৱনে পোখা মেলে
সপোনৰ ডেউকাই আকাশ চুমে।
ইতিহাসৰ পাতে-পাতে
তোমাৰ গৰিমা গাথা।
তুমি মৃত সঞ্জীবনী
জীৱনৰ প্ৰজ্জোলিত চাকি,
তথাপিও কিয় যুগে- যুগে বঞ্চিতা ধৰ্ষিতা তুমি ;
বুকুত বেদনাৰ এখনি নৈ
অহৰহ থাকে বৈ।
নিশাৰ অন্ধকাৰত সমাধিস্ত
হিয়াভগা আস্ফালন
কেতিয়াবা সতীত্বৰ অগ্নিপৰীক্ষা
কেতিয়াবা হস্তিনাপুৰৰ ৰাজসভাত
বিবস্ত্ৰা দ্ৰৌপদী,
কিয় শিৰ নত আছিল মহামনিষী সকলৰ?
মৌন গাণ্ডীৱধাৰী অৰ্জুন,
এয়াই নেকি নাৰীৰ সন্মান ?

# সাম্প্ৰতিক পৃথিৱী আৰু মানৱতা



**ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়**

সাম্প্ৰতিক সময়ত বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ অভূতপূৰ্ব বিকাশ ঘটিছে। আধুনিক অৰ্থাৎ সাম্প্ৰতিক পৃথিৱীখনত আমি যন্ত্ৰলৈ ৰূপান্তৰিত হৈ পৰিছোঁ। অতীতৰ সময়চোৱাত পৰিয়ালবৰ্গৰ সৈতে সকলো লোক আৱদ্ধ আছিল বাবে মৰম-চেনেহৰ জৰীদাল কটকটীয়া আছিল। বিজ্ঞানৰ আৱিষ্কাৰ বোৰৰ কাৰণে মানুহৰ জীৱন ধাৰণৰ মান সম্প্ৰতি যথেষ্ট উন্নতি হৈছে। কিন্তু সাম্প্ৰতিক সময়ত ব্যক্তিকেন্দ্ৰিকৰ বিপৰীতে মানৱসমাজ বস্তুকেন্দ্ৰিকলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হয়।

নৈতিক, সামাজিক, আধ্যাত্মিক আদি মূল্যবোধৰ পৰা আমি সকলো বিৰত হৈ পৰিছোঁ। আমি নিজে মূল্যবোধ শিক্ষা আয়ত্ত কৰি উঠি প্ৰজন্মকো মূল্যবোধনো কি হয় ভালকৈ বুজাই দিয়া উচিত বুলি ভাবোঁ। যিহেতু বস্তুকেন্দ্ৰিক অৰ্থাৎ বস্তুৰ প্ৰতি বেছিকৈ আকৰ্ষিত হোৱা দেখা যায়, ব্যক্তিৰ লগত বাৰ্তালাপ খুব কমকৈ কৰা হয় বাবেই মানৱতা কি? বুজিয়েই নাপায়। সেয়েহে বিপদত পৰা মানুহজনক সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি যোৱা দেখা নাযায়। কোনোজনে হয়তো দূৰৈৰ পৰা প্ৰত্যক্ষ কৰি ভিডিঅ' বনাই সামাজিক মাধ্যমত প্ৰচাৰ কৰা দেখা যায়। সেয়েহে আমি আমাৰ সন্তানবোৰক সৰুৰে পৰাই মূল্যবোধৰ শিক্ষা প্ৰদান কৰাটো উচিত।

আন্তৰিকতা, সহযোগিতা, সহানুভূতি, মানৱতাবোধ আদি মূল্যবোধৰ শিক্ষা প্ৰদান কৰিলে হয়তো আমাৰ সন্তানে আধুনিক পৃথিৱীত জীৱন-নিৰ্বাহ কৰিলেও ব্যক্তিকেন্দ্ৰিক হ'বলৈ শিকিব। বিজ্ঞান-প্ৰযুক্তিয়ে আমাক যিখিনি দিছে সেয়া আমি গ্ৰহণ কৰি উন্নতিৰ জখলাত আগুৱাব লাগে। কিন্তু শিপা পাহৰি আধুনিকতাত ডুব যোৱাটো অনুচিত। আধুনিক পৃথিৱীত নিজকে হেৰুৱাই নেপেলাই মানুহৰ প্ৰতি মানৱতা জাগি উঠাটো অত্যন্ত জৰুৰী।

# জীৱন



**মিহিৰ মৌচুম ৰয়**

বিয়লিৰ লুইতত
বুৰ যোৱা বেলিৰ
অস্থায়ী পোহৰ
দাঁতিৰ অৰণ্যত
চৰাইৰ কোৰ্যাল
কোনোবাই সুধিছে-
কোনোবা ক'ৰবাত
বৈ গ'ল নেকি?
লুইতৰ মাজত
বিচলিত নাৱঁৰীয়া
আধা পোহৰত
ঘনেপ্ৰতি কঁপে
কলিজা
দূৰৈত
পাহাৰৰ ছাঁ
চুই চাওঁ বুলি
হাত মেলি দিব নোৱাৰি
খঁহি পৰে
জীৱনৰ বেলি।

অসম চৰকাৰ
ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ

# বিকশিত ভাৰত যুৱ নেতাৰ কণ্ঠ

## ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ ২০২৫



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

JANASANYOG- 3171/24/1-Dec-24

## ভৱিষ্যতৰ সকলো যুৱ নেতালৈ আহ্বান

ৰাষ্ট্ৰৰ ভৱিষ্যত সৃষ্টিৰ এই অসাধাৰণ যাত্ৰাৰ অংশীদাৰ হওক

'বিকশিত ভাৰত যুৱ নেতাৰ কণ্ঠ' হিচাপে ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ পুনঃসংস্কৰণ কৰা হৈছে যি যুৱ প্ৰতিভাৰ চিনাক্তকৰণ আৰু বিকাশৰ লক্ষ্যৰে অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ ধাৰণাসমূহ আৰু বিকশিত ভাৰতৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী পোনপটীয়াকৈ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী মহোদয়ৰ আগত উপস্থাপন কৰাৰ বাবে এক অনন্য চাৰি পৰ্যায়ৰ প্ৰতিযোগিতা আগবঢ়ায়।

## বিকশিত ভাৰত প্ৰতিযোগিতা

এক চাৰি-পৰ্যায়ৰ প্ৰতিযোগিতা **১৫-২৯ বছৰ বয়সৰ ব্যক্তিৰ বাবে**

### ৰাউণ্ড ১: বিকশিত ভাৰত কুইজ

*২৫ নৱেম্বৰ ২০২৪ – ৫ ডিচেম্বৰ ২০২৪*

মেৰা যুৱা ভাৰত (MY Bharat) প্লেটফৰ্মত আয়োজিত এই ডিজিটেল কুইজত ব্যক্তিগতভাৱে অংশগ্ৰহণ কৰক। ভাৰতৰ উল্লেখনীয় সফলতাসমূহৰ বিষয়ে আপোনাৰ জ্ঞান আৰু সজাগতা পৰীক্ষা কৰক। এই কুইজৰ লক্ষ্য হৈছে দেশৰ উন্নয়ন আৰু বিকাশ সম্বন্ধে গভীৰ জ্ঞান থকা যুৱক-যুৱতীক চিনাক্ত কৰা।

### ৰাউণ্ড ২: ৰচনা/ব্লগ লিখা

*৮ ডিচেম্বৰ ২০২৪ – ১৫ ডিচেম্বৰ ২০২৪*

কুইজ ৰাউণ্ডৰ বিজয়ীসকলে ১০টা পৰিচিত বিষয়বস্তুৰ ওপৰত ৰচনা বা ব্লগ দাখিল কৰিব, যেনে "বিকশিত ভাৰতৰ বাবে প্ৰযুক্তি", "বিকশিত ভাৰতৰ বাবে যুৱক-যুৱতীৰ সবলীকৰণ" আদি। এই ৰাউণ্ডৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে ভাৰতৰ উন্নয়নক আগুৱাই নিয়াৰ বাবে নিজৰ সৃষ্টিশীল ধাৰণা আৰু সমাধানসমূহ উল্লেখ কৰিব। এই প্ৰতিযোগিতা MY Bharat প্লেটফৰ্মতো আয়োজন কৰা হ'ব।

### ৰাউণ্ড ৩: বিকশিত ভাৰত ভিজন পিটচ্ ডেক – ৰাজ্যিক পৰ্যায়ৰ পৰিৱেশন

*২০ ডিচেম্বৰ ২০২৪ – ২২ ডিচেম্বৰ ২০২৪*

ৰচনা/ ব্লগ ৰাউণ্ডৰ পৰা যোগ্যতা অৰ্জন কৰা অংশগ্ৰহণকাৰীসকলে ৰাজ্যিক পৰ্যায়লৈ আগবাঢ়িব। ইয়াত অংশগ্ৰহণকাৰীসকলে নিজৰ নিৰ্বাচিত বিষয়বস্তুৰ ওপৰত নিজৰ ধাৰণাসমূহ প্ৰভাৱশালী প্ৰেজেণ্টেচনৰ জৰিয়তে পৰিৱেশন কৰিব। ৰাজ্যসমূহে বিষয়বস্তুভিত্তিক দল গঠনৰ বাবে প্ৰতিযোগিতা আয়োজন কৰিব যিয়ে তেওঁলোকক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰিব।

### ৰাউণ্ড ৪: ভাৰত মণ্ডপমত বিকশিত ভাৰত ৰাষ্ট্ৰীয় চেম্পিয়ানশ্বিপ

*১১-১২ জানুৱাৰী ২০২৫, ভাৰত মণ্ডপম, নতুন দিল্লী*

ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ ২০২৫ত বিভিন্ন ৰাজ্যিক পৰ্যায়ৰ বিষয়বস্তুভিত্তিক দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। বিজয়ী দলসমূহে ভাৰতৰ উন্নয়ন যাত্ৰাত অৰিহণা যোগোৱাৰ এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপে স্বয়ং মাননীয় প্ৰধানমন্ত্ৰীৰ আগত উন্নয়নশীল ভাৰতৰ বাবে নিজৰ দূৰদৰ্শী ধাৰণাসমূহ উপস্থাপন কৰিব।

## অংশগ্ৰহণ কৰক আৰু সুযোগ লাভ কৰক

- দেশৰ শীৰ্ষ নেতাসকলৰ সৈতে এক বিকশিত ভাৰতৰ বাবে আপোনাৰ ধাৰণাসমূহ আদান-প্ৰদান কৰাৰ
- ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সৈতে পোনপটীয়াকৈ মত-বিনিময় কৰাৰ
- ৰাজনৈতিক আৰু নাগৰিক জীৱনত যুৱ নেতৃত্বক অনুপ্ৰাণিত কৰাৰ আন্দোলনত যোগদান কৰাৰ
- ভাৰতৰ উন্নয়ন যাত্ৰাত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱাৰ

**এতিয়াই পঞ্জীয়ন কৰিবলৈ চাওক**

https://mybharat.gov.in/

কুইজৰ তাৰিখ: ২৫ নৱেম্বৰ — ৫ ডিচেম্বৰ ২০২৪

যোগ্যতাঃ ১৫-২৯ বছৰ বয়সৰ ব্যক্তি

**যুৱ সবলীকৰণৰ দ্বাৰা জাতীয় উন্নয়ন**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# আমাৰ আশা -আকাংক্ষা সমূহক এক সীমাৰেখাৰ মাজত সীমাবদ্ধ কৰা উচিত

**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**



বৰ্তমান সময়ত দিন প্ৰতিদিনে এক প্ৰদৰ্শন বা প্ৰতিযোগিতা মূলক যুগ গঠনৰ ফলত মানুহৰ মাজত থকা সুখ, শান্তি, মৰম, ভালপোৱা, ভাতৃত্ববোধ, মানৱীয় গুণাগুণ আদিৰ ওপৰত বহু নকাৰাত্মক প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিছে। ইয়াৰ ফলস্বৰূপে অনাগত দিনবোৰত কিমান যে যন্ত্ৰণাদায়ক পৰিৱেশৰ সৃষ্টি হবলৈ গৈ আছে হয়তো এতিয়া আমাৰ চিন্তাধাৰাৰ একেবাৰে বাহিৰত নহয়নে? অৰ্থাৎ লাহে লাহে কৰি আমি সকলোবোৰ মানুহে এক যান্ত্ৰিকতা মানৰ সমাজৰ গঠনৰ দিশত অতি দ্ৰুত গতিৰে অগ্ৰসৰ হৈ পৰিছোঁ। আচলতে এনেকুৱা ধৰণৰ পৰিৱেশ গঠনৰ আঁৰত আমি জীৱশ্ৰেষ্ঠ মানৱে নিজকে সম্পূৰ্ণৰূপে দোষাৰোপ কৰাৰ লগতে সময় থাকোতেই ইয়াৰ সমাধান বিচাৰি উলিয়াবলৈ প্ৰচেষ্টা হাতত লব লাগিব। নহলে আমাৰ দ্বাৰা আৱিষ্কাৰ হোৱা বা আৱিস্কৃত হবলৈ যোৱা অত্যাধুনিক সা-সামগ্ৰী সমূহে সম্পূৰ্ণৰূপে এই সুন্দৰ প্ৰকৃতিৰ ওপৰতে এক বৃহৎ ধৰণৰ অনিষ্ট সাধন কৰিব। বৰ্তমান সময়ত এক প্ৰদৰ্শন বা প্ৰতিযোগিতা মূলক যুগ গঠনৰ আঁৰতে আছে মানুহে নিজৰ নিজৰ আশা-আকাংক্ষা সমূহক এক সীমাৰেখাৰ মাজত সীমাবদ্ধ কৰিবলৈ তৎপৰ হোৱাগৈ নাই। আচলতে কেৱল বৰ্তমান সময়তে মানুহৰ মস্তিষ্কৰ ওপৰত বিকাশ সাব্যস্ত কৰি গৈ আছে একে কোনো কথা নহয়। কাৰণ আমাৰ পূৰ্বপুৰুষ সকল আৰু অতীতৰ সময়তো মানুহৰ মস্তিষ্কৰ বিকাশৰ হাৰত কোনো গুণে কম নাছিল। সচাঁ অৰ্থাৎ কবলৈ গলে বৰ্তমান সময়ৰ তুলনাত অতীতৰ মানুহবোৰ ইমানেই শক্তিশালী আছিল যে আমাৰ হয়তো এতিয়াৰ কল্পনাৰ বাহিৰত। এইখিনিতে বৰ্তমানৰ বহু বুদ্ধিজীবিৰ মনত এইটো প্ৰশ্নৰ উদ্ভাৱন হব পাৰে যে, তেন্তে বৰ্তমান দৰে আমি দেখিবলৈ পোৱা অত্যাধুনিক যোগৰ সূচনা কিয় কৰিবলৈ সক্ষম হোৱা নাছিল নহয়নে ? ইয়াৰ একমাত্ৰ কাৰণ হল আমাৰ অতীতৰ পূৰ্বপুৰুষ সকলে মানৱ জীৱনৰ আচল তাৎপৰ্য সমূহৰ কথা উপলব্ধি কৰিবলৈ সক্ষম হৈছিল। আৰু বৰ্তমান সময়ত আমি সকলোবোৰ মানুহে নিজ নিজ আশা-আকাংক্ষা সমূহৰ ওপৰত নিয়ন্ত্ৰণ হেৰাই কেৱল বাহ্যিক জগতৰ সুন্দৰতাৰ ওপৰত অধিক জোৰ প্ৰদান কৰি গৈছো। আমাতকৈ বহু অতীততে বৰ্তমান সময়ৰ দৰে পৰিৱেশ গঠনৰ ওপৰত মানুহৰ লগত সম্পূৰ্ণৰূপে আৱশ্যকীয় সংসাধন হোৱাৰ স্বত্বেও তেতিয়াৰ মানুহে বাহ্যিক সুন্দৰতা সমূহৰ ওপৰত ইমান এটা গুৰুত্ব প্ৰদান নকৰি নিজকে এক সীমাৰেখাৰ মাজতে নিয়ন্ত্ৰণ কৰি ৰাখিছিল। ইয়াৰ একমাত্ৰ কাৰণ হল মানৱ জাতিৰ অনাগত ভৱিষ্যত আৰু মংগল কামনাৰ্থে এক সীমাৰেখা নিৰ্ধাৰণ কৰি চলিছিল। কিন্তু বৰ্তমান সময়ৰ মানচিত্ৰ সমূহৰ আমাৰ সকলোৰে হয়তো চকুৰ সন্মুখত আছে। যাক হয়তো বাখ্যা কৰাৰ বৰ বেচিকৈ প্ৰয়োজনীয়তা আছে বুলি মই নাভাবো।

# অকবিতা

**ভাস্কৰ প্ৰিয়ম হাজৰিকা,কৰচুং সত্ৰ**



সেইদিনা কুঁৱলীৰ আৱৰণ ফালি
হেপাঁহ এটা সোমাই আহিছিল,
হাতৰ মুঠিটো জোৰকৈ হেঁচা মাৰি
কেঁচা মাটিৰ গোন্ধটো নিজৰ কৰিছিলোঁ।
এজাক সৰল মানুহৰ হাতৰ পৰশত
আকাশমুখী হোৱাৰ সপোন দেখিছিলোঁ।
কথাবোৰ পুৰণি আছিল,
মানুহখিনি বৰ সহজ-সৰল আছিল,
ঠিক আধুনিকতাৰ সংজ্ঞা নুবুজা সৃষ্টিৰ সৰলৰেখা।
ৰ'দৰ আচোঁৰবোৰ বিষ পান কৰি
মানুহখিনিক শান্তি দিছিলোঁ,
মোৰ শৰীৰত প্ৰাণ পোৱা শীতল ভালপোৱাবোৰ বিলাই দিছিলোঁ।
এইয়া মোৰ প্ৰতি এক বিনিময় প্ৰথাৰ নৱসংযোজন
নতুবা সৃষ্টিৰ অন্তৰালত জী উঠা আহিনৰ ভৰ দুপৰীয়া
কৃষকৰ ভালপোৱাৰ সুৰ এটাৰ কুচ-কাৱাজ।
কথাবোৰ তেনেই পুৰণি আছিল!
ফাগুনৰ বুকুত দুখবোৰক বিদায় জনায়
বসন্তৰ সেউজীয়াবোৰ বুকুত বান্ধি গাভৰুজনী হৈছিলোঁ।
পৃথিৱীৰ শীতলতা মোৰ কৰ্ম,
নিৰ্মল বতাহৰ সুন্দৰ বাঁহীৰ সুৰটো
বিয়পায় তোলাটো মোৰ ধৰ্ম।
আধুনিকতাৰ বুকুত মই এতিয়া অস্তিত্বহীন বলিশালৰ ঠিকনা,
মোৰ ধ্বংস যজ্ঞ মই নিজেই দেখিছোঁ
পৃথিৱীৰ দুখবোৰ বুকুত বিষ এটা কঢ়িয়াই ফুৰিছোঁ।
মোৰ দুবাহুৰ শক্তিবোৰে ৰুধ কৰিব পৰা নাই
সূৰ্য্যৰ খণ্ডৰ উত্তাপ।
মই যে এতিয়া বৰ দুৰ্ব্বল
মই হেৰাইছোঁ আৰু এদিন হেৰাই যাম
আধুনিকতাৰ নামত।
মোৰ শূন্যতাত পৃথিৱীখন হেৰাব
উত্তাপৰ কোলাহলত অপমৃত্যু ঘটি।
মোক জীয়াই থাকিব দিয়া,
নতুবা মোৰ পৰিয়াল আৰো বংশবৃদ্ধি কৰা
তাৰ বিনিময়ত মানৱ সভ্যতাত
মই শান্তিৰ নিজৰা বোৱাম।

# দেহ নশ্বৰ -আত্মা অবিনশ্বৰ



**প্ৰাণ প্ৰতিমা বড়া,গুৱাহাটী**

আমাৰ দেহ নশ্বৰ। কিন্তু আমাৰ আত্মা অবিনশ্বৰ। জীৱন দুদিনীয়া। ক্ষন্তেকীয়া জীৱনৰ ভাৰষা নাই। আজি ভালেৰে সময়বোৰ পাৰ কৰিছোঁ যদিও, কালিলৈ কি হ'ব আমি কোনেও নাজানোঁ। প্ৰত্যেক মানুহে বৰ্তমানৰ সময়খিনি উদ্‌যাপন কৰা উচিত। উদ্‌যাপন মানে বৰ্তমানৰ সময়খিনি সুন্দৰভাৱে অতিবাহিত কৰাটোকহে বুজায়। মানুহে মানুহৰ প্ৰতি কোনো বেয়া ভাৱ, হিংসা, খং, বিদেহ ভাৱ ৰাখি কোনো লাভ নাই। এজনে আনজনৰ প্ৰতি ৰখা সহমৰ্মিতা মনোভাৱেৰে আমিবোৰে নিশ্চয় সুখী হোৱাৰ বাট উলিয়াব পাৰোঁ। এজনে আনজনৰ বিপদত সহায়ৰ হাত আগবঢ়োৱাটো অতিকৈ জৰুৰী কথা । কিন্তু আমি দুখ পাওঁ যেতিয়া নিজৰ বুলি ভবা আপোন মানুহবোৰৰৰ পৰা বিনা কাৰণত বিৰূপ মনোভাৱ দেখা পাওঁ। মানুহে মানুহে বেয়া পাবলৈ হাজাৰটা কাৰণ বিচাৰি পায় কিন্তু মানুহে মানুহক আদৰ কৰিবলৈ কাৰণ বিচাৰি নাপায়। বহুতৰ মাজতেই এনেকুৱা হোৱা দেখা যায়। কিন্তু এটা সঁচা কথা যে মানুহৰ মনবোৰ কলুষিত হোৱাৰ বাবেই হয়তু আজিৰ মানুহবোৰ স্বাৰ্থপৰ হয় । মানুহৰ মাজত মৰম-চেনেহ-আদৰৰ অভাৱ লগতে বুজাবুজিৰ অভাৱ। সেই হেতুকে আজি দিনৰ মানুহবোৰ একক আৰু নিসংগ। যাৰ ফলত মানুহৰ মনত সুখ নাই। অসুখী। অসুখী মনৰ মানুহবোৰে কেতিয়াও আনৰ ভাল চিন্তা কৰিব নোৱাৰে। অনবৰতে মনৰ ভিতৰখন বেয়া মনোভাৱৰ আন্দোলনস্থলী হৈ পৰে।

আমাৰ নশ্বৰ দেহ চিৰস্থায়ী নহয়। ক্ষন্তেকীয়া। দুদিনীয়া পৃথিৱীত আমিবোৰ কিমান দিনৰ আলহী আমি কোনেও নাজানোঁ । এইমুহূৰ্তত আমি ভালেৰে আছোঁ যদিও কালিলৈ কি বিপদে দেখা দিব আমি সেই বিষয়ে অনভিজ্ঞ । গতিকে আমি প্ৰতি মুহূৰ্ততে অনিশ্চয়তাৰ মাজত জীয়াই থাকিবলগীয়া হয়। সুখী মন এটা সজাই লৈ আনকো সুখী কৰিবলৈ চেষ্টাৰ প্ৰয়োজন। আমি কোনেও কাকো মনে বিচৰাৰ ধৰণে সুখী কৰিব নোৱাৰোঁ। কিন্তু আমাৰ কৰ্মকাণ্ডই আনক যাতে দুখী কৰিব নোৱাৰে তাৰ বাবে আমি যত্নপৰ হোৱা উচিত। প্ৰত্যেক মানুহৰ আত্মা ভগৱানৰ অংশ। বাহ্যিক অৱয়বহে আমাৰ অস্তিত্বক ভেদ কৰিছে। কিন্তু আমি অজ্ঞানী মানুহবোৰেহে আমাৰ অস্তিত্বক বুজিব নোৱাৰি বেয়া মনোভাৱেৰে আমি সময় অতিবাহিত কৰিছোঁ। মানুহে মানুহৰ প্ৰতি কোনো বেয়া মনোভাৱ, হিংসা, বিদেহ আদি মনোভাৱ নাৰাখি এজনে আনজনৰ প্ৰতি সুন্দৰ মনোভাৱ ৰাখিলে সেউজীয়া পৃথিৱীখন অতি সেউজীয়া হৈ পৰিব।

# ৰাইজে অভিযোগ দিব পৰাকৈ

অনুষ্ঠানতে ৰাজহুৱা সেৱা প্ৰদানৰ দিশত দায়বদ্ধতা সুনিশ্চিতকৰণৰ উদ্দেশ্যে ৰাজহুৱা সেৱা অধিকাৰ আপীল কাৰ্যপ্ৰণালী, ৰাজহুৱা সেৱা অধিকাৰৰ সকলো দিশ সামৰি প্ৰকাশ কৰা হাতপুথি তথা আয়োগৰ ৱেবছাইটটো মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰযুক্তিয়ে আজি দায়বদ্ধতা গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। জনসাধাৰণে নিজৰ অধিকাৰৰ বিষয়ে নাজানিলে সু-শাসন প্ৰতিষ্ঠা হ'ব নোৱাৰে। ৰাজহুৱা সেৱাত জনগণৰ বহুতো সুবিধা আছে আৰু চৰকাৰে তাক কেৱল নিশ্চিত কৰিব লাগে। জনসাধাৰণক অধিকাৰ প্ৰদান কৰাটো চৰকাৰৰ মূল দায়িত্ব। তেওঁ লগতে কয়- ২০১০ চনত মধ্যপ্ৰদেশ চৰকাৰে ৰাজহুৱা সেৱা প্ৰদানৰ দিশত এক নতুন অধ্যায়ৰ সূচনা কৰি দেশত প্ৰথমবাৰলৈ ৰাজহুৱা সেৱা অধিকাৰ আইন প্ৰণয়ন কৰিছিল। ২০১২ চনত অসমে ৰাজহুৱা সেৱা অধিকাৰ আইন প্ৰণয়ন কৰে। ২০১৯ আৰু ২০২৪ চনত আইনখন দুবাৰকৈ সংশোধন কৰা হৈছিল। ৰাজ্য চৰকাৰে ইতিমধ্যে সেৱাসেতুৰ জৰিয়তে ৭২৫টা বিষয় নাগৰিকৰ অধিকাৰ বুলি ঘোষণা কৰিছে। ইয়াৰে ৬৪টা বিভাগৰ লগতে সঞ্চালকালয় আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্গত তিনিখন স্বায়ত্তশাসিত পৰিষদ আছে। প্ৰত্যেকটো সেৱা কিমান দিনৰ ভিতৰত দিব লাগে, সেই সম্পৰ্কে এক সূচীও প'ৰ্টেলত দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কয়- সেৱাসেতু প'ৰ্টেলত আৰম্ভণিৰে পৰা বৰ্তমানলৈকে ১.৫৬ কোটি আবেদন লাভ কৰাৰ বিপৰীতে ইয়াৰে ১.৪ কোটি আবেদন নিষ্পত্তি কৰা হৈছে। আবেদন নিষ্পত্তিৰ হাৰ ৯০ শতাংশৰো অধিক। জনসাধাৰণৰ অধিকাৰ সুনিশ্চিত কৰিবৰ বাবে দেশৰ ৩৪খন ৰাজ্যত ৰাজহুৱা সেৱা অধিকাৰ আইন বলৱৎ কৰা হৈছে। আৰটিআইৰ জৰিয়তেও জনসাধাৰণে তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। বিগত বৰ্ষত ৰাজহুৱা সেৱা অধিকাৰ আয়োগ গঠন কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছিল আৰু ৰাজহুৱা সেৱা অধিকাৰ সঁচা অৰ্থত এক অধিকাৰ হিচাপে ৰূপান্তৰ কৰিব বিচাৰিছিল। এই লক্ষ্যৰে ৰাজ্য চৰকাৰে অৱসৰপ্ৰাপ্ত আইপিএছ বিষয়া ড° সুজয়লাল থাউচেনক অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ আয়োগৰ অধ্যক্ষ, ৰঞ্জন চক্ৰৱৰ্তী আৰু বিমল চন্দ্ৰ ওছোৱালক আয়ুক্ত হিচাপে নিযুক্তি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় আজিৰে পৰা কাৰ্যক্ষম হোৱা লোকসেৱা অধিকাৰ আয়োগ এতিয়াৰে পৰা সহজ আৰু সৱল হ'ব। ৰাজহুৱা এই সেৱাই সকলোকে আদৰি ল'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সু-শাসনৰ নীতিৰ আধাৰত এই সেৱাৰ জৰিয়তে ৰাইজ উপকৃত হ'ব। তেওঁ কয় যে বিষয়া-কৰ্মচাৰীসকল এই দিশত অধিক তৎপৰ হ'ব লাগিব। কিয়নো ৰাইজক সঠিকভাৱে ৰাজহুৱা সেৱা অধিকাৰ প্ৰদান কৰিব পাৰিলেহে অসম সু-শাসনৰ কেন্দ্ৰবিন্দুত পৰিণত হ'ব পাৰিব। এই অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, চন্দ্ৰমোহন পাটোৱাৰী, অশোক সিংহল, পীযূষ হাজৰিকা, জয়ন্তমল্ল বৰুৱা, সঞ্জয় কিষাণ, নন্দিতা গাৰ্লোছাৰ লগতে মুখ্য সচিব ড° ৰবি কোটা আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সংগঠন পৰ্ব কাৰ্যসূচীৰ পৰ্যালোচনা



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সংগঠন পৰ্ব কাৰ্যসূচীৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্য ৰাজ্যিক ভিত্তিত এক সাংগঠনিক কৰ্মশালা অনুষ্ঠিত হয়। উক্ত কৰ্মশালাত ৰাজ্যিক সভাপতি ভবেশ কলিতা, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুৰ লগতে সন্মানীয় মন্ত্ৰী, বিধায়ক, সাংসদসকলৰ লগতে দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

# আই আই টিত ভাৰত আন্তঃৰাষ্ট্ৰীয়

আন্তঃগাঁথনিলৈকে সমাজৰ প্ৰতিটো দিশতে অৰিহণা যোগাব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিক সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। এই লক্ষ্যৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ বাবে বিশ্ব নিৰ্মাণ কেন্দ্ৰ হিচাপে ভাৰত পৰিগণিত হৈছে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিজ্ঞান যোগাযোগক এক মূল কেন্দ্ৰবিন্দু হিচাপে অভিহিত কৰে। তেওঁ কয় যে জৈৱ-প্ৰযুক্তি, মহাকাশ আৰু কৃষি-প্ৰযুক্তিৰ ষ্টাৰ্টআপসমূহ প্ৰধানকৈ বেংগালুৰু আৰু পুনেৰ দৰে চহৰসমূহৰ পৰা উদ্ভাৱন হৈছে। ইয়াৰ বিপৰীতে সৰু সৰু চহৰসমূহত বিজ্ঞান-প্ৰযুক্তি আশা কৰা ধৰণে আগবঢ়া নাই। সেয়েহে সৰু সৰু চহৰসমূহ আৰু গ্ৰামাঞ্চলসমূহৰ পৰা বিজ্ঞান-প্ৰযুক্তি আৰু ষ্টাৰ্টআপসমূহ উদ্ভাৱনৰ বাবে এক পৰিৱেশ গঢ়ি তোলাত গুৰুত্ব দিছে চৰকাৰে। চাৰিদিনীয়া এই সন্মিলনৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱে উদ্ভাৱন, উৎকৃষ্টতা, বিজ্ঞান আৰু প্ৰযুক্তি বিকাশ তথা সমৃদ্ধিৰ দিশত শক্তিশালীভাৱে অৰিহণা যোগাই আহিছে। গুৱাহাটীত এই মহোৎসৱৰ আয়োজনে উত্তৰ-পূৱৰ বিজ্ঞান আৰু প্ৰযুক্তি বিকাশৰ দিশত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব। বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত পৰিৱৰ্তনৰ সৈতে অঞ্চলটোক আগুৱাই নিয়াৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ থকা আকাংক্ষা আৰু দায়বদ্ধতাক ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ আয়োজনে প্ৰতিফলিত কৰিছে। তেওঁ কয়- বিজ্ঞানৰ দ্ৰুত পৰিৱৰ্তনৰ দিশত এই মহোৎসৱে নতুন অন্বেষণৰ প্ৰতিশ্ৰুতি বহন কৰিব। ইয়ং ছাইন্টিষ্ট কনক্লেভ, ছায়েন্স ছাফাৰী আৰু টিংকাৰ লেব আদিৰে ছাত্ৰ-ছাত্ৰী আৰু গৱেষকৰ মাজত কৌতূহল জগাই উদ্ভাৱনমূলক চিন্তা-চৰ্চাৰে আগুৱাই নিয়াৰ লক্ষ্য লোৱা হৈছে। অসমৰ ১,৫০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই বিজ্ঞান মহোৎসৱত অংশগ্ৰহণ কৰি বিজ্ঞানৰ ক্ষেত্ৰত জড়িত হোৱাটো প্ৰশংসনীয় বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

# আনুষ্ঠানিকভাবে ই-কক্ষ

শিক্ষয়িত্ৰীয়ে কিদৰে একোটা বিষয়ৰ ওপৰত পাঠদান কৰিব লাগে, শিক্ষাৰ্থীয়ে সহজতে বুজি পোৱাকৈ একোটা বিষয়ক কেনেদৰে উপস্থাপন কৰিব লাগে এই বিষয়টোক লৈ শিক্ষকসকলক এক ব্যৱস্থাৰ যোগান ধৰাৰ কথা বহু দিনৰ পৰা উত্থাপিত হৈ আহিছিল। মুখ্যতঃ এই বিষয়টোক আগত ৰাখিয়ে ই-কক্ষৰ জৰিয়তে সম্পূৰ্ণ অসমীয়াতে বিদ্যালয়ৰ পাঠ্যপুথিৰ কেইবাটাও বিষয় অভিজ্ঞ শিক্ষকৰ জৰিয়তে পাঠদান কৰোৱাই ইয়াত উপলব্ধ কৰা হৈছে। ম'বাইল বা আন ডিজিটেল ডিভাইচত ই-কক্ষ সহজতে শিক্ষাৰ্থীয়ে ডাউনলোড কৰিব পাৰিব। সম্পূৰ্ণ বিনামূলীয়া আৰু কোনোধৰণৰ ল'গ ইনৰ ব্যৱস্থা নাই। গতিকে শিক্ষাৰ্থীয়ে অতি সহজে ইয়াক উপলব্ধ কৰিব পাৰিব। শিক্ষামন্ত্ৰীগৰাকীয়ে ইয়াকো স্পষ্ট কৰে যে অহা সময়ছোৱাত ই-কক্ষত অধিক বিষয় অন্তৰ্ভুক্ত কৰাৰ লগতে বাংলা আৰু বড়ো মাধ্যমতো পাঠদানৰ ব্যৱস্থা কৰা হ'ব। বানপানী বা আন দুৰ্যোগৰ বাবে বিদ্যালয়ৰ শ্ৰেণীকোঠা বন্ধ থকা অৱস্থাত ই-কক্ষৰ জৰিয়তে গ্ৰামাঞ্চলৰ তথা দুৰণিবটীয়া শিক্ষাৰ্থীসকলে পাঠদানৰ সুবিধা লাভ কৰিব পাৰিব। ই-কক্ষৰ মুকলি অনুষ্ঠানত সমগ্ৰ শিক্ষা, অসমৰ কাৰ্যবাহী সঞ্চালক সঞ্জয় দত্তৰ লগতে আন কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।

# কেন্দ্ৰীয় বাণিজ্য আৰু

সময়ত চাহ উদ্যোগটোক এক নতুন গতি দিয়াৰ দিশত উল্লেখনীয় অৰিহণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে। উল্লেখ্য যে, প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে বাজেটত চাহ শ্ৰমিকৰ বাবে যি ১ হাজাৰ কোটি টকা প্ৰদানৰ কথা ঘোষণা কৰিছিল, সেই ধনৰাশিৰ অসমৰ অংশ হিচাপে প্ৰায় ৪০০ কোটি টকা কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী শ্ৰীপীযুষ গোৱেলে অনুমোদন জনাইছে । এই ধনৰাশি ৰাজ্যখনে এই বৰ্ষতে লাভ কৰিব আৰু ৰাজ্যৰ চাহ শ্ৰমিকৰ স্বাস্থ্য আৰু শিক্ষাৰ দিশত ধনখিনি ব্যৱহাৰ কৰা হ'ব । এনে সহায়-সহযোগিতাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে ।

# ৩ডিচেম্বৰৰ পৰা

জিলা চিকিৎসালয়, ৭ খন সামূহিক স্বাস্থ্য কেন্দ্ৰ পৰ্যায়ৰ চিকিৎসালয়, ৩৪ খন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰ তৃতীয় পৰ্য্যায়ৰ স্বাস্থ্যসেৱা উৎসৱৰ বাবে প্ৰস্তুত কৰি তোলা হৈছে। তেওঁ লগতে কয় যে, মূল্যায়নৰ সময়ত প্ৰতিটো স্বাস্থ্যকেন্দ্ৰৰ সুবিধাৰ লগতে অসুবিধা সমূহো চিনাক্ত কৰা হ'ব। ইয়াৰ দ্বাৰা জিলাখনৰ স্বাস্থ্যৰ ক্ষেত্ৰত উন্নত ফলাফল লাভ কৰাত সহায় হ'ব বুলি জিলা আয়ুক্ত গৰাকীয়ে মত প্ৰকাশ কৰে। স্মৰ্তব্য যে, ৰাজ্যৰ বিদ্যালয়সমূহত শিক্ষাৰ মানদণ্ড নিৰূপণৰ বাবে "গুণোৎসৱ" কাৰ্যসূচী ৰূপায়ণ কৰি সমগ্ৰ শিক্ষা অভিযানে গ্ৰহণ কৰা উত্তম পদ্ধতিৰ প্ৰতিলিপি হিচাবে এই কাৰ্যসূচী স্বাস্থ্য বিভাগটো গ্ৰহণ কৰিছে অসম চৰকাৰে। ইতিমধ্যে "স্বাস্থ্য সেৱা উৎসৱ-ৰম পৰ্যায়" আৰু "স্বাস্থ্য সেৱা উৎসৱ-দ্বিতীয় পৰ্যায়" ক্ৰমে ৬ তাৰিখৰ পৰা ৮ এপ্ৰিল, ২০২৩ আৰু ২০ৰ পৰা ২২ নৱেম্বৰ, ২০২৩ তাৰিখলৈ সেৱা প্ৰদানকাৰী আৰু সেৱা প্ৰদানৰ মানৰ মূল্যায়নৰ বাবে এই উৎসৱ অনুষ্ঠিত হৈ গৈছে। সংবাদমেলত আয়ুক্ত গৰাকীয়ে এই অনুষ্ঠান জিলাখনত সফলভাৱে ৰূপায়ন কৰাৰ বাবে সাংবাদিক সকলৰ পৰা সহায় সহযোগিতা আহ্বান কৰে। উল্লেখ্য যে, এই কাৰ্যসূচীত ৰাজ্যখনৰ সকলো মন্ত্ৰী, সাংসদ, বিধায়কে অংশগ্ৰহণ কৰিব। আনকি ৩ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ আই এ এছ, আই পি এছ, আই এফ এছ, এ চি এছ আদি জ্যেষ্ঠ বিষয়াকো মূল্যায়নৰ বাবে বিভিন্ন জিলালৈ প্ৰেৰণ কৰিছে অসম চৰকাৰে।

# ডিব্ৰুগড়ত মিতভাষ স্ৰষ্টা

এগৰাকী ব্যক্তিক এই বঁটা প্ৰদান কৰিবলৈ পাই ধন্য মানিছো বুলি উল্লেখ কৰি অসমৰ জাতীয় জীৱনৰ হকে তেখেতে নিজস্ব লেখনিৰে অধিক অৱদান আগবঢ়াই যাব বুলি আশা প্ৰকাশৰ লগতে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। আনহাতে নিজৰ অনুভৱ ব্যক্ত কৰি প্ৰথিতযশা সাহিত্যিক গৰাকীয়ে কয় যে ৰাজ্যৰ এখনি নামজ্বলা শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত 'ৰামানুজন'ৰ দ্বাৰা প্ৰদান কৰা এই বঁটাৰ বাবে এগৰাকী শিক্ষক হিচাপে মই আনন্দ অনুভৱ কৰাৰ লগতে নিজে প্ৰতিষ্ঠানটোত উপস্থিত হৈ গ্ৰহণ কৰিবপৰা হ'লে অধিক আনন্দ লাভ কৰিলোহেঁতেন। তদুপৰি ইমান দুৰৰ পৰা আহি বিশেষকৈ শিক্ষকতাৰ দৰে মহান বৃত্তিৰ লগত জড়িত এই বঁটা প্ৰদান কৰাৰ বাবে মই কৃতজ্ঞবোধ কৰিছো বুলিও তেওঁ বক্তব্যত উল্লেখ কৰে। উক্ত অনুষ্ঠানত অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ সভাপতি তথা ডিব্ৰুগড় আৰু নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, ন্যাসৰ সদস্যা তথা বিশিষ্ট কবি, সাহিত্যিক ড° কৰবী ডেকা হাজৰিকা, সম্পাদক বীৰেন বৰুৱা, প্ৰচাৰ সচিব ৰতন হাজৰিকা আৰু সাহিত্যিকগৰাকীৰ সহধৰ্মিনী লাৱণ্য শইকীয়া উপস্থিত থাকে। ন্যাসৰ তৰফৰ পৰা ৰামানুজন উচ্চ মাধ্যমিক বিদ্যালয় কৰ্তৃপক্ষক সম্বৰ্ধিত ব্যক্তিগৰাকীৰ দ্বাৰা লিখিত গ্ৰন্থ 'অসমীয়া মানুহৰ ইতিহাস' প্ৰদান কৰি আদৰণি জ্ঞাপন কৰা হয়।

# বাজপেয়ী ভৱনত নৱনিৰ্বাচিত

কংগ্ৰেছে শাসনৰ বাঘজৰী ৰাজপৰিয়ালৰ বাহিৰে কাকো এৰি নিদিয়ে। নামত যিয়েই নাথাকক কিয়, শাসনৰ বাঘজৰী কংগ্ৰেছে ৰাজপৰিয়ালৰ হাততে ৰাখে। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে এইবাৰ যি পাঁচ বিধানসভা সমষ্টিৰ উপ- নিৰ্বাচন অনুষ্ঠিত হৈছে ভৌগোলিক দিশৰ পৰা বিশেষভাৱে গুৰুত্বপূৰ্ণ। উজনি অসম আৰু পাহাৰীয়া জিলাক বাদ দি ৰাজ্যখনৰ প্ৰতিটো ভৌগোলিক খণ্ডতে একোটাকৈ সমষ্টিত উপ-নিৰ্বাচন হৈছে। মধ্য অসমৰ চামগুৰিত, উত্তৰ অসমৰ বিহালীত, বৰাক উপত্যকাৰ ধলাইত, বিটিআৰৰ চিদলীত আৰু নামনি অসমৰ বঙাইগাঁৱত হোৱা এই উপ-নিৰ্বাচনত সংশ্লিষ্ট অঞ্চলৰ ৰাইজৰ মনৰ বুজ লোৱাৰ সুযোগ পোৱা গৈছে। উপ-নিৰ্বাচন হোৱা পাঁচ সমষ্টিৰ ভিতৰত চাৰিটা সমষ্টি বিজেপি আৰু মিত্ৰজোটৰ হাততে আছে। চামগুৰি সমষ্টিটো সুদীৰ্ঘ ২৫ বছৰ ধৰি কংগ্ৰেছৰ হাতত আছিল। চামগুৰিত আমাৰ দলৰ বিজয় জনগাঁথনিগত দিশৰ পৰা যথেষ্ট কঠিন আছিল। প্ৰথমাৱস্থাত আমিও চামগুৰিত জয়ী হ'ম বুলি ভবা নাছিলোঁ। যোৱা লোকসভা নিৰ্বাচনত ৬৫ শতাংশ সংখ্যালঘু ভোটাৰ থকা সত্বেও কৰিমগঞ্জত মানুহৰ মানসিকতাৰ যি পৰিৱৰ্তনৰ ইংগিত পোৱা গৈছিল, একেই পৰিৱৰ্তন লাভ কৰা গ'ল এইবাৰ চামগুৰিত। এইবাৰ চামগুৰিত বিজেপিৰ বিজয় হৈছে যোৱা লোকসভা নিৰ্বাচনত কৰিমগঞ্জত লাভ কৰা সাফল্যৰ সম্প্ৰসাৰণ। বিজেপিয়ে তুষ্টিকৰণৰ ৰাজনীতি নকৰে। কিন্তু ন্যায় প্ৰদানৰ ক্ষেত্ৰতো ত্ৰুটি নকৰে। ধৰ্ম নিৰ্বিশেষে সকলোৱে চৰকাৰৰ সকলো আঁচনিৰ সুযোগ লাভ কৰিছে। ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ সময়ত বিজেপিৰ হৈ প্ৰচাৰ অভিযান চলাবলৈ যাওঁতে চামগুৰিত কংগ্ৰেছৰ সমৰ্থক একাংশই শিল-লাঠীৰে আক্ৰমণ কৰিবলৈ উদ্যত হোৱাৰ কথা উল্লেখ কৰি ভাষণত তেওঁ কয় যে সমষ্টিটোৰ যি মোৱামাৰী পঞ্চায়ত অঞ্চলত এই ঘটনা সংঘটিত হৈছিল এইবাৰ উপ-নিৰ্বাচনত সেই অঞ্চলৰ সংখ্যালঘু ৰাইজে বিজেপিক ভোটদান কৰিছে। বিহালীত এইবাৰ উপ-নিৰ্বাচনৰ বিশেষত্ব হৈছে চাহ শ্ৰমিকৰ সন্তান যাৰ পিতৃ চাহ বাগিচাৰ চকীদাৰ আছিল, সেই দিগন্ত ঘাটোৱাল বিধানসভালৈ নিৰ্বাচিত হৈছে। ইয়াৰ বাহিৰে বিহালীৰ নিৰ্বাচনত আন বিশেষত্ব নাই। বিহালী সমষ্টিত কংগ্ৰেছৰ গৌৰৱোজ্জ্বল মুহূৰ্ততো ৰঞ্জিত দত্ত বিধায়ক হিচাপে জয়ী হৈছিল। ধলাই সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক নিহাৰৰঞ্জন দাসো সাধাৰণ পৰিয়ালৰ লোক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দিপ্লুৰঞ্জন শৰ্মা, দিগন্ত ঘাটোৱাল, নিহাৰৰঞ্জন দাস নিজৰ পৰিচয়েৰে আজি আগবাঢ়িছে। তেওঁলোকৰ পিতৃৰ নাম কোনেও নাজানে। তেওঁলোক কোনো ৰাজপৰিয়ালৰ সন্তানো নহয়। মুখ্যমন্ত্ৰীগৰাকীয়ে বঙাইগাঁও সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দীপ্তিময়ী চৌধুৰী, চিদলীৰ নৱনিৰ্বাচিত বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্মকো ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, মন্ত্ৰী ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা, সাংসদ ৰঞ্জিত দত্ত, মেয়ৰ মৃগেন শৰণীয়া আদি উপস্থিত থাকে।

# ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে ৪০২

আজিও প্ৰতিগৰাকী অসমীয়াৰ বুকুত সমুজ্জ্বল কৰি ৰাখিছে। মহাবীৰ লাচিতে নৰিয়া গাৰেই শত্ৰুক পৰাভূত কৰি যি জাতীয় প্ৰেমৰ নিদৰ্শন দাঙি ধৰিছিল সেই কথাই যুগে যুগে অসমীয়াক অনুপ্ৰাণিত কৰি আহিছে বুলিও তেওঁ মন্তব্য আগবঢ়ায়। অসম চৰকাৰে ২০২২ বৰ্ষত মহাবীৰ লাচিত বৰফুকনক সৰ্বভাৰতীয় প্ৰেক্ষাপটত ব্যাপকভাৱে পৰিচয় কৰি দিয়াৰ মানসেৰে দেশৰ ৰাজধানী নতুন দিল্লীত বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবীৰ গৰাকীৰ চাৰিশ বছৰীয়া জয়ন্তী উদযাপনৰ যি মহৎ প্ৰচেষ্টা হাতত লৈছিল তাৰ বাবে মন্ত্ৰী বিমল বড়াই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, ৰাজ্য চৰকাৰে লাচিত বৰফুকনক বিভিন্ন প্ৰেক্ষাপটত দাঙি ধৰাৰ বাবে বিভিন্ন আঁচনি হাতত লোৱাৰ লগতে অৰূপ কুমাৰ দত্তৰ "মহাবীৰ লাচিত বৰফুকন" শীৰ্ষক গ্ৰন্থখন দেশৰ ২৩ টা ভাষালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰি অসম চৰকাৰে লাচিত বৰফুকনৰ বিষয়ে সমগ্ৰ দেশতে প্ৰচাৰৰ ব্যৱস্থা কৰিছে বুলিও কেবিনেট মন্ত্ৰী বিমল বড়াই উল্লেখ কৰে। বীৰ লাচিত দিৱসৰ মুকলি সভাত আদৰণি ভাষণ আগবঢ়াই খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে অসমী আইৰ এইগৰাকী সুযোগ্য সন্তান মহাবীৰ লাচিত বৰফুকনৰ কীৰ্তি অসমৰ নৱপ্ৰজন্মৰ লগতে সমগ্ৰ দেশ তথা বিশ্বতে প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো নিতান্তই প্ৰয়োজনীয় বুলি উল্লেখ কৰে। বীৰ লাচিত দিৱসৰ লগত সংগতি ৰাখি "মহাবীৰ লাচিত" শীৰ্ষক এখনি স্মৃতিগ্ৰন্থৰো উন্মোচন কৰা হয়। স্মৃতিগ্ৰন্থখনিৰ শুভউদ্বোধন কৰে মৰাণ শাখা সাহিত্য সভাৰ সভাপতি নীলকান্ত গগৈয়ে। বীৰ লাচিত দিৱসৰ কাৰ্য্যসূচীত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বীৰ লাচিত বৰফুকনৰ অদম্য সাহস, স্বদেশ প্ৰেম আৰু মানসিক দৃঢ়তাৰ ওপৰত আলোকপাত কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল বুঢ়াগোহাঁয়ে। অনুষ্ঠানত স্থানীয় শিল্পী সকলে আইচিং লাও আৰু অন্যান্য সংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। বীৰ লাচিত দিৱসৰ কাৰ্য্যসূচীত অসম চৰকাৰৰ ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা আৰু পাহাৰীয়া অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী যোগেন মহন, দুলীয়াজান বিধানসভা সমষ্টিৰ বিধায়ক তেৰচ গোৱালা, ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, খোৱাং সম জিলা আয়ুক্ত জিন্টু বৰা, অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, জ্যোতি চিত্ৰাবনৰ উপাধ্যক্ষ সুনীল ৰাজখোৱা, আহোম জাতীয় গণমঞ্চৰ সভাপতি মহেন্দ্ৰ দিহিঙীয়া প্ৰমুখ্য অন্যান্য বিশিষ্ট ব্যক্তিসকল তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

# কৃষ্ণ ভক্তি ৰসত বিলীন

"কৃষ্ণামৃত" নামৰ এখন স্মৃতি গ্ৰন্থ প্ৰকাশ কৰি আহিছে । এইবেলি ২৩ নৱেম্বৰ তাৰিখে উদ্যোক্তা সকলে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি , অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ সভাপতি তথা সু-সাহিত্যিক মৃনালিনী দেৱীৰ লগতে তেখেতৰ সুযোগ্য সন্তান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুশীলন প্ৰাধ্যাপক তথা সু -বক্তা, সাহিত্য একাডেমিৰ অনুবাদ বঁটা প্ৰাপক ড° দিগন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত স্মৃতিগ্ৰন্থখন উন্মোচন কৰে। ইয়াৰ লগতে উপস্থিত থাকে বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় অধ্যক্ষ তথা স্মৃতিগ্ৰন্থ উপ সমিতিৰ সভাপতি ড° নিহাৰ ৰঞ্জন কলিতা প্ৰমুখ্যে মৃনাল দাস, মলিন কলিতা, ৰঞ্জিত মহন্ত আদি গন্য মান্য ব্যক্তিসকল। সমবেত সংগীতেৰে আৰম্ভ কৰা সভাখনৰ আঁত ধৰে স্মৃতিগ্ৰন্থৰ সম্পাদ্দয় শিক্ষক দুলু কলিতা আৰু অধ্যাপক অতুল চন্দ্ৰ দাসে । সভাত বিশিষ্ট ব্যক্তিসকলৰ লগতে লেখক, লেখিকাক একোখন কৃষ্ণামৃত আৰু ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনায়।ভাষণ প্ৰসংগত মৃনালিনী দেৱী আৰু ড° দিগন্ত বিশ্ব শৰ্মাই শ্ৰীকৃষ্ণৰ ৰাস সম্পৰ্কীয় গুৰুত্বপূৰ্ণ তত্বগধুৰ ব্যক্তব্য আগবঢ়াই উপস্থিত ৰাইজক মোহিত কৰে, লগতে ৰাস উদযাপন সমিতিৰ সমূহ কৰ্মকৰ্তাক ধন্যবাদ জনায়।

# নৰ্থ-ইষ্ট পেৰা স্প'ৰ্টছ

অনুষ্ঠিত হোৱাৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰী কৰে। দিব্যাংগ খেলুৱৈসকলক এক উপযুক্ত মঞ্চ দিয়াৰ বাবে লোৱা পদক্ষেপৰ বাবে উদয়াচলৰ প্ৰচেষ্টাক শলাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চাৰিগৰাকী দিব্যাংগ শিশুক লৈ ১৭ বছৰ পূৰ্বে পাণ্ডুত উদয়াচলৰ যাত্ৰা আৰম্ভ হৈছিল। আজি শতাধিক দিব্যাংগ শিশুৱে উদয়াচলে নিজৰ পৰিয়াল নিৰ্মাণ কৰিছে। এই যাত্ৰা ভৱিষ্যতলৈ অব্যাহত থকাৰ কামনাৰে মুখ্যমন্ত্ৰীয়ে উদয়াচলক অভিনন্দন জ্ঞাপন কৰে। তদুপৰি নিজৰ ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পেৰা অলিম্পিকৰ প্ৰস্তুতিৰ বাবে দিব্যাংগ খেলুৱৈসকলে বিচৰা সকলো সহায়- সহযোগিতা অসম চৰকাৰে আগবঢ়াব বুলিও ঘোষণা কৰে। খেলুৱৈসকলক উৎসাহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চেষ্টা কৰিলে আমি আকাশ চুব পাৰিম। অনুষ্ঠানটোত অংশ লৈ নৰ্থ-ইষ্ট পেৰা স্প'ৰ্টছ মীটৰ আয়োজক সমিতিৰ সভাপতি তথা প্ৰাইড ইষ্ট এণ্টাৰটেইনমেন্ট প্ৰাইভেট লিমিটেডৰ চিএমডি ৰিণিকি ভূঞা শৰ্মাই নিজৰ ভাষণত কয় যে বিশেষভাৱে সক্ষম যুৱপ্ৰজন্মই যাতে নিজৰ স্বপ্ন পূৰণ কৰিব পাৰে তাৰ বাবে ভৱিষ্যতলৈ এই যাত্ৰা অব্যাহত থাকিব। বিগত ১৭ বছৰ ধৰি সমাজৰ মাজত থকা বিভিন্ন প্ৰতিবন্ধকতাক একত্ৰিত কৰি এক সমন্বয়ৰ সেতু গঢ়া উদয়াচলৰ এই যাত্ৰা আমাৰ বাবে অতি সুন্দৰ আছিল। এই সুন্দৰ যাত্ৰাক ভৱিষ্যতলৈও অব্যাহত ৰখাৰ কথা তেওঁ উল্লেখ কৰে। তদুপৰি পেৰা স্প'ৰ্টছ মীটত অংশগ্ৰহণ কৰি যিখিনি ল'ৰা-ছোৱালীয়ে বিজয় সাব্যস্ত কৰিছে তেওঁলোকে ৰাষ্ট্ৰীয় পৰ্যায়তো বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব বুলি তেওঁ কয়। বিশেষ এই ল'ৰা-ছোৱালীখিনিয়ে অসমক ভৱিষ্যতলৈ গৌৰৱান্বিত কৰি তোলাৰ আশা প্ৰকাশ কৰি তেওঁ কয় যে প্ৰত্যেকগৰাকী ল'ৰা-ছোৱালীয়ে যথেষ্ট প্ৰতিভাধৰ। প্ৰতিভা তেওঁলোকৰ বহু আছে। ভৱিষ্যৎ তেওঁলোকৰ নিশ্চয়কৈ ভাল হ'ব। উল্লেখ্য যে স্প'ৰ্টছ মীটৰ অন্তত অসম দলে যাদৱ চন্দ্ৰ ভূঞা স্মাৰক দলীয় চেম্পিয়নছ ট্ৰফীৰে সন্মানিত হোৱাৰ লগতে অৰুণাচল প্ৰদেশৰ দলটো ৰানাৰ্ছআপ ৰূপে নিৰ্বাচিত হয়। অসম দলে ৫৫টা সোণৰ পদক, ৪৭টা ৰূপৰ পদক আৰু ২৫টা ব্ৰঞ্জৰ পদক নৰ্থ-ইষ্ট পেৰা স্প'ৰ্টছ মীটত লাভ কৰিবলৈ সক্ষম হৈছে। অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি শিহৰণকাৰী অনুষ্ঠান পৰিৱেশন কৰে মিৰাকলছ অন হুইলছ শীৰ্ষক সংস্থাটোৱে। গণেশ বন্দনাৰ নৃত্যৰে আৰম্ভ কৰা অনুষ্ঠানটোত অংশগ্ৰহণকাৰীসকলে হুইল চেয়াৰত বহি কৰা নৃত্যানুষ্ঠানে উপস্থিত সকলো লোকক বিস্ময়াম্বিত কৰি তোলে। চৈয়দ চালাউদ্দিন পাছাৰ নেতৃত্বত দলটোৱে এই অনুষ্ঠান পৰিৱেশন কৰে। জ্যেষ্ঠ সাংবাদিক নন্দন প্ৰতিম শৰ্মা বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানটোত নৰ্থ-ইষ্ট পেৰা স্প'ৰ্টছ মীটৰ ব্ৰেণ্ড এম্বেছাডৰ শচীন ছামাৰিয়া, বিচিচিআইৰ যুটীয়া সচিব দেৱজিত শইকীয়া, বিশিষ্ট সাহিত্যিক মৃণালিনী দেৱী, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, গৃহ, নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, কৃষিমন্ত্ৰী অতুল বৰা, উদ্যোগ-বাণিজ্য মন্ত্ৰী বিমল বড়া, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, জ্যেষ্ঠ সাংবাদিক ৰাছবিৰ হুছেইন, জাৰিৰ হুছেইন, ক্ৰীড়া-যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অসম চৰকাৰৰ ৰাষ্ট্ৰীয়

অভিযানৰ ফলশ্ৰুতিত ৰাজসাহায্য লাভ কৰা যুৱ চামে পশুপালন, দুগ্ধ আদি ক্ষেত্ৰসমূহত আত্মনিয়োগ কৰিছে আৰু তেওঁলোকৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে বিভাগটোক আৰু অধিক কাৰ্যক্ষম কৰি তুলিবলৈ মানৱ শক্তি বৃদ্ধিৰ বাবে নতুন নিযুক্তিৰ কথাও মন্ত্ৰীগৰাকীয়ে জনায়। উল্লেখ্য যে এই অনুষ্ঠানত মন্ত্ৰী গৰাকীয়ে গোপাল তথ্য নামৰ এটা এপ্লিকেচনৰ শুভাৰম্ভ কৰে যাৰ জৰিয়তে কৃষক তথা পশুপালক সকলে বিভিন্ন ধৰণেৰে লাভান্বিত হ'ব বুলি আশা কৰে। ইয়াৰ লগতে কেইবাখনো দুগ্ধ উন্নয়ন সমিতিক দুগ্ধক্ষেত্ৰত তেওঁলোকৰ অবদানৰ বাবে আজিৰ এই অনুষ্ঠানত বঁটা প্ৰদান কৰা হয়। অসম চৰকাৰৰ মন্ত্ৰী নন্দিতা গৰ্লোছাই অনুষ্ঠানত অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত পোনতে ভাৰতৰ দুগ্ধমানৱ ৰূপে জনাজাত ড° ভাৰ্গিজ কুৰিয়ানক স্মৰণ কৰে। মন্ত্ৰী গৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ দুগ্ধক্ষেত্ৰৰ উত্তৰণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ শলাগ লয়। মন্ত্ৰী গৰাকীয়ে দুগ্ধ উৎপাদন বৃদ্ধিৰ পোষকতা কৰাৰ লগতে এই ক্ষেত্ৰত তথ্য-প্ৰযুক্তিৰ প্ৰাসংগিকতাৰ কথা উল্লেখ কৰে। ভাষণৰ শেষত তেওঁ দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় দুগ্ধ দিৱসত অসমৰ পৰা ৰাষ্ট্ৰীয় বঁটা লাভ কৰা কৃষক সকলক অভিনন্দন জনায়। অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ প্ৰধান সচিব মনীষ ঠাকুৰে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰাৰ লগতে অসম চৰকাৰৰ মন্ত্ৰী নন্দিতা গৰ্লোছা, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ অধ্যক্ষ মনোজ শইকীয়া, দুগ্ধ উন্নয়ন সঞ্চালকালয়ৰ সঞ্চালিকা পাঞ্চালী কাকতি, পশু চিকিৎসা মহাবিদ্যালয়ৰ ডিন ড° বিবেকানন্দ শইকীয়াৰ লগতে অসমৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন ঠাইৰ কৃষক, পশুপালক আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# ENGLISH NEWS SECTION

## Chief Minister calls on Governor



Guwahati, RB News: Chief Minister Dr. Himanta Biswa Sarma paid a courtesy visit to Assam Governor Shri Lakshman Prasad Acharya at Raj Bhavan. The Chief Minister and the Governor discussed development issues. Moreover, the Chief Minister also apprised the Governor of schemes that the government is taking for the welfare of all sections of the people of the state. He also informed the Governor of all the development works being carried out by the government in the state.

## Josh Hazlewood out of 2nd Test against India



RB News: Australia pacer Josh Hazlewood has been ruled out of second Test against India due to a "low-grade left side injury". His further involvement in the series is under doubt. The hosts have added two uncapped bowlers to the squad - Sean Abbott and Brendan Doggett. Scott Boland will likely replace Hazlewood for second Test, which will be played under lights.

## Hon'ble Vice-Chairman Shri Narayan Chandra Borkataky visits Common Facility Centre of Handloom at Eastern Range of Manas National Park, Baksa



Guwahati, RB News: Hon'ble Vice Chairman Shri Narayan Chandra Borkataky of State Innovation and Transformation Aayog (SITA) Govt. of Assam visited the Common Facility Centre (CFC) on handloom in Lwkhibazar (fringe to eastern range of Manas national park) to monitor the progress of the work on 26th November, 2024. In this context, he provided completion certificates to the weavers of the first batch in an interaction programme. Hon'ble Vice-Chairman addressing the gathering spoke on the importance of handloom as a livelihood in the state of Assam. He also praised the work of weavers of the centre and initiatives of ASTEC in Manas landscape. He assured all possible help to improve the facility of the CFC." It may be mentioned that a forty five-day training on advanced technique on handloom was conducted for 20 local weavers in the CFC during the last year. The weavers also got the facility to continue the production and improve their skills in the CFC. This centre has been developed by Assam Science Technology and Environment Council (ASTEC) in collaboration with the Office of the District Administration, Baksa, Handloom and Textiles dept, Baksa and Manas Maozigendri Ecotourism Society (MMES). This programme is a part of the climate resilient activity of a programme entitled 'Designing Climate Resilient Practices to Strengthen Management of Kaziranga and Manas Landscape' sponsored by State Innovation and Transformation Aayog (SITA), Government of Assam. Earlier Dr. Pranjal Bezbarua, coordinator of the programme explained the objectives of the programme. The Ranger of Bhuyapara range, Shri Bibakananda Pathak was a guest in the programme and mentioned the importance of community participation in the conservation of biodiversity of Manas NP. He thanked ASTEC for establishing the CFC for the local community. He mentioned about an souvenir outlet stall in the Bhuyapara range for selling the locally available handloom products. He also talked about different scientific techniques of handloom and scope of value addition for better price. Other officials namely Shri Nilotpal Pathak, ADC, Baksa, Shri Ranjit Malla Deka Assistant Director of Handloom and Textiles department, Baksa, Shri Dwijendra Singha Hazari, Assistant Development Officer and other officials of SITA also attended the programme. The president of local NGO Manas MMES thanked all for the livelihood project in their area. "The Hon'ble VC of SITA, Assam also inaugurated the training for the second batch in the CFC. The trained weavers displayed their products specially eri silk shawl, Bihuwan and other products.

## Siddarth Kaul retires from Indian cricket



RB News: Indian pacer Siddarth Kaul, a member of the Virat Kohli-led U-19 World Cup-winning team in 2008, has announced his retirement from cricket in India. Kaul, who debuted for India in 2018, played three ODIs and two T20Is, claiming a total of four wickets. The 34-year-old ends his career with an impressive record across formats in domestic cricket. Having represented Punjab in 88 first-class matches, taking 297 wickets at an average of 26.77, including 17 five-wicket hauls. Kaul also took 199 wickets in 111 List A games and 182 wickets in 145 T20 matches.

## Prabath Jayasuriya becomes fastest Sri Lankan to 100 Test wickets



RB News: Prabath Jayasuriya became the second-fastest bowler ever and the fastest Sri Lankan to get to 100 Test wickets after he dismissed Tony de Zorzi during South Africa's second innings in the first Test between South Africa and Sri Lanka in Durban. His 100th wicket came in just 17 games.

অণুগল্প

# একতা

**শৈলেন কুমাৰ,মিৰ্জা**

এন্দুৰটোৱে নিজৰ প্ৰাণ ৰক্ষাৰ বাবে কুকুৰাটোৰ পৰা সহায় বিচাৰিলে, কুকুৰাটোৱে সহায় কৰিবলৈ অমান্তি হোৱাত, এইবাৰ এন্দুৰটোৱে ছাগলীটোৰ পৰা সহায় বিচাৰিলে কিন্তু কোনোৱে তাক সহায় নকৰিলে একেখন ঘৰতে সিহঁতে সহবাস কৰি থাকে অথচ সিহঁতৰ মাজত মিলাপ্ৰীতি নাই। ঘৰৰ মালিকে এন্দুৰটো ধৰিবলৈ ফান্দ পাতিলে কিন্তু দূৰ্ভাগ্যবশত ফান্দত এন্দুৰ সলনি সাপ সোমাল আৰু ঘৰৰ মালিকৰ ঘৈণীয়েকে এন্দুৰ ফান্দত সোমাল বুলি ফান্দত হাত ভৰাই দিয়াত সাপে দংশন কৰিলে। ততাতৈয়াকৈ ঘৈণীয়েকক চিকিৎসাৰ বাবে লৈ যোৱা হ'ল। কিছুদিন পাছত ঘৈণীয়েক সুস্থ হোৱাত খবৰ লবলৈ ঘৰত আলহী আহিল সেইদিনা খন কুকুৰা মাৰি আলহীক আপ্যায়ন কৰা হ'ল। আকৌ কিছুদিন পাছত গাওঁৰ গঞা ৰাইজক ছাগলীৰ মাংসৰে ভোজভাত খুওৱা হ'ল। এন্দুৰটোক সহায় নকৰাৰ ফল কুকুৰা আৰু ছাগলীটোৱে হাতেহাতে পালে ।

অণুগল্প

# আঘোণ

**মুন শৰ্মা, লখিমপুৰ**

অফিচৰ উভতি আহিছে ৰুদ্ৰ হাজৰিকা। সময় আবেলি, আকাশত ৰঙা বেলি, সিফালে আঘোণ মাহ।

হঠাৎ চকুত পৰিল, পথৰ কাষৰ পথাৰৰ সোণালী বুকুত কেইটামান শিশুৰ কোলাহল ভৰা ধেমালি।

তেওঁ, কিছুপৰ থমকি ৰ'ল, সিহঁতৰ ধেমালি বোৰ উপভোগ কৰিব ধৰিলে ভাবিলে কথাবোৰ অতীতলৈ গুচি গৈ, সেই ল'ৰালিৰ মৌ সৰা সোণালী



সময়ৰ আকৌ উভতাই পোৱা হেঁতেন, অলিক সপোন দেখি তেওঁ গুচি গ'ল আগলৈ।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286